


# 4 সামাজিক আন্দোলন
# Social Movements

সমগ্ৰ বিশ্বজুৰি বহু সংখ্যক ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীয়ে মাত্ৰ পাঁচ বা ছদিনমানহে কৰ্মস্থলীলৈ যায়। বাকী দুদিন বা এদিন তেওঁলোকে কৰ্মস্থান বন্ধ হোৱাত সেই বন্ধ উপভোগ কৰে। এনেলোকৰ কিছুলোকে ভাৱে, প্ৰকৃততে যি বন্ধ তেওঁলোকে লাভ কৰিছে, এইয়া আচলতে দীৰ্ঘদিনীয়া সংগ্ৰামৰ ফলাফলহে। কাৰণ শ্ৰমিকসকলৰ কৰ্মৰ

**ক্ৰিয়া কলাপ ৮.১**

তোমালোকৰ জীৱন শৈলীৰ লগত তোমালোকৰ বুঢ়ী আইতাৰ জীৱন শৈলী তুলনা কৰি চোৱা আৰু কেনে পাৰ্থক্য পালা ঠাৱৰ কৰা। লগতে এই কথাও আলোচনা কৰা যে তোমালোকে কেনেধৰণৰ অধিকাৰ পাইছা যিবোৰ আইতাই পোৱা নাছিল।

**বন্ধনী ৮.১**

### ভোটাধিকাৰ

সকলো প্ৰাপ্তবয়স্কলৈ ভোট দিয়াৰ অধিকাৰ প্ৰদান কৰাৰ ক্ষেত্ৰত ভাৰতীয় সংবিধানে নিশ্চয়তা প্ৰদান কৰিছে। এই অধিকাৰ বৃটিছ ঔপনিৱেশিক শাসনৰ পৰা চূড়ান্ত ভাৱে পৃথকীকৃত য'ত সেই সৰ্বসাধাৰণ জনতাক তেওঁলোকৰ নথিপত্ৰসমূহ কৰ্তৃত্বশীল ঔপনিৱেশিক বিষয়াৰ হাতত জমা দিবলৈ হেঁচা প্ৰয়োগ কৰা হৈছিল। যি কি নহওঁক, ব্ৰিটেইনতো সকলো নাগৰিকক ভোটদান দিবলৈ অধিকাৰ প্ৰদান কৰা নহৈছিল। তাত ভোটদানৰ অধিকাৰ সম্পত্তিৰ অধিকাৰীসকলৰ হাততে সীমাবদ্ধ আছিল। চাৰ্টিজিম (Chartism) ইংলেণ্ডত সংঘটিত হোৱা এনে এক সামাজিক আন্দোলন আছিল যাৰ জৰিয়তে বনুৱা শ্ৰেণীয়ে সংসদক প্ৰতিনিধিত্ব কৰাৰ অধিকাৰ বিচাৰিছিল। ১৮৩৯ চনত ১.২৫ মিলিয়ন জনসাধাৰণে স্বাক্ষৰ কৰা এখন চনদত মহিলাৰ সাৰ্বজনীন স্বত্ব, বেলটৰ জৰিয়তে ভোটদান, সম্পত্তি আহৰণৰ অবিহনে ভোটদানৰ অধিকাৰ আদি বিষয়ত কোৱা হৈছিল, তথাপিতো প্ৰথম বিশ্বযুদ্ধৰ পিছত ১৯১৮ চনতহে ২১ বছৰ উৰ্দ্ধৰ সকলো পুৰুষ, বিবাহিতা মহিলা আৰু ৩০বছৰ উৰ্দ্ধৰ বিশ্ববিদ্যালয়ৰ স্নাতক মহিলা সকলে ভোটদানৰ অধিকাৰ লাভ কৰে। যেতিয়া মহিলা আন্দোলনকাৰীসকলে সকলো প্ৰাপ্ত বয়স্ক নাৰীক ভোটাধিকাৰ প্ৰদান কৰাৰ প্ৰসংগ উত্থাপন কৰিছিল তেতিয়া তেওঁলোকক তিক্ততাপূৰ্ণ ভাৱে বিৰুদ্ধাচৰণ কৰা হৈছিল আৰু পৰিণতিত হিংসাত্মক ভাৱে আন্দোলনটোৰ পৰিসমাপ্তি ঘটিছিল।

সময় আঠ ঘন্টাতকৈ বেছি হোৱা অনুচিত, পুৰুষ আৰু মহিলাই একে কামৰ বিপৰীতে সমান মজুৰি পোৱা , সামাজিক নিৰাপত্তা লাভ কৰা, শ্ৰমিকৰ অৱসৰকালীন ভাট্টা ইত্যাদিবোৰো সামাজিক আন্দোলনৰ যোগেদিয়েই লাভ কৰিছিল। এনে বহু আন্দোলনেই বিশ্বৰ বহু সমাজলৈ পৰিৱৰ্তন আনি গতি প্ৰদান কৰিলে। সেয়ে সমগ্ৰ পৃথিৱীৰে ঠায়ে ঠায়ে এনে আন্দোলনবোৰ অব্যাহত আছে আৰু থাকিব।

আমি প্ৰায়েই ধৰি লওঁ যে আমি উপভোগ কৰি থকা অধিকাৰবোৰ সদায়ে আছে। এইখিনিতেই অতীতৰ সংগ্ৰামবোৰৰ কথা মনত পেলোৱাটো আৱশ্যকীয় হৈ পৰে। জাতিভেদ আৰু লিঙ্গ বৈষম্যৰ বিৰুদ্ধে হোৱা সমাজ সংস্কাৰ আন্দোলন আৰু ১৯৪৭চনত ভাৰতবৰ্ষক ঔপনিৱেশিক শাসনৰপৰা মুক্ত কৰা জাতীয়তাবাদী আন্দোলনৰ বিষয়ে তোমালোকে পঢ়ি আহিছা। এচিয়া, আফ্ৰিকা আৰু আমেৰিকাত ঔপনিৱেশিক শাসনৰ ওৰ পেলোৱা পৃথিৱী ব্যাপী চলা জাতীয়তাবাদী আন্দোলনবোৰৰ কথাও তোমালোকৰ অবিদিত নহয়। গোটেই বিশ্বৰে সমাজবাদী আন্দোলনবোৰ, কৃষ্ণাংগসকলৰ সম অধিকাৰৰ বাবে যুঁজ দিয়া ১৯৫০ আৰু ১৯৬০ৰ দশকত চলা অসামৰিক অধিকাৰ আন্দোলন, দক্ষিণ আফ্ৰিকাত বৰ্ণ বৈষম্য সংগ্ৰাম আদিয়ে মৌলিকভাৱে সমগ্ৰ বিশ্বকে সলনি কৰিলে। সামাজিক আন্দোলনবোৰে অকল সমাজকেই পৰিৱৰ্তন নকৰে, লগতে অন্যান্য সামাজিক আন্দোলনকো প্ৰেৰণা যোগায়। ভাৰতীয় জাতীয় আন্দোলনে কেনেদৰে ভাৰতীয় সংবিধানক এটা ৰূপ দিলে আৰু সামাজিক পৰিবৰ্ত্তন অনাৰ ক্ষেত্ৰত ওলোটাই ভাৰতীয় সংবিধানে পালন কৰা মুখ্য ভূমিকাৰ বিষয়ে তোমালোকে তৃতীয় অধ্যায়ত পাইছা।

**ক্ৰিয়া কলাপ ৮.২**

সামাজিক আন্দোলনৰ দ্বাৰা কেনেকৈ সমাজৰ পৰিৱৰ্তন সাধন হয় সেইটো প্ৰতিপন্ন কৰা যিকোনো এটা সামাজিক আন্দোলনৰ উদাহৰণ দিয়া। লগতে কেনেদৰে এটা সামাজিক আন্দোলনে অন্যান্য সামাজিক আন্দোলনৰ সূচনা কৰিব পাৰে সেই বিষয়ে চিন্তা কৰিবলৈ চেষ্টা কৰা।

## ৮.১ সামাজিক আন্দোলনৰ বৈশিষ্ট্যসমূহ

এখন বাছ যেতিয়া এজন শিশুৰ শৰীৰৰ ওপৰেদি আকস্মিকভাৱে পাৰ হৈ যায় তেতিয়াই জনসাধাৰণে বাছখন ধ্বংস কৰাৰ উপৰিও ড্ৰাইভাৰ জনকো আক্ৰমণ কৰিব পাৰে। এইটো প্ৰতিবাদ সাব্যস্ত কৰা এক ঘটনা। কিন্তু সামাজিক আন্দোলন হ'বলৈ কিছু কালজুৰি অব্যাহত সামূহিক কাৰ্যৰ প্ৰয়োজন। এনে কাৰ্যসমূহ সততে ৰাষ্ট্ৰ বা চৰকাৰৰ বিৰুদ্ধে কৰা দেখা যায়। মূখ্যতঃ ৰাষ্ট্ৰ বা চৰকাৰী আঁচনিৰ পৰিবৰ্তনৰ দাবী উত্থাপনৰ বেলিকা এনে কাৰ্যসমূহ কৰা হয়। তাৎক্ষণিক আৰু অসংগঠিত প্ৰতিবাদক কেতিয়াও সামাজিক আন্দোলন বুলি ক'ব নোৱাৰি। সামূহিক কাৰ্যৰ মূল্যাংকন নিতান্তই সাংগঠনিক দিশৰ দ্বাৰা নিৰ্মিত হয়। এই সাংগঠনিক দিশে সাধাৰণতে নেতৃত্ব আৰু সংৰচনাক সূচায় য'ত ইয়াৰ সদস্য সকলে কিদৰে সম্পৰ্কিত হৈ থাকে, কিদৰে সিদ্ধান্ত গ্ৰহণ কৰে আৰু সিদ্ধান্তসমূহক পালন কৰে, সেইবোৰ বিষয় অৰ্ন্তভুক্ত কৰে। যিসকলে এনে সামাজিক আন্দোলনত অংশ গ্ৰহণ কৰে সেইসকলে তেওঁলোকৰ আদৰ্শ আৰু উদ্দেশ্যসমূহ সম্পূৰ্ণ ভাৱে নিজৰ মাজত আদান-প্ৰদান কৰে। কোনো সামাজিক আন্দোলনৰ সাধাৰণ উদ্দেশ্য পৰিবৰ্তন বিচাৰ অথবা পৰিবৰ্তনক বাধা দিয়া দুয়োটাই হ'ব পাৰে। আলোচিত এই বৈশিষ্ট্যসমূহ স্থিৰ নহয়। ই সামাজিক আন্দোলনৰ ভিন্ন প্ৰেক্ষাপটত পৰিবৰ্তন হ'বও পাৰে।

কেতিয়াবা ৰাজহুৱা কিছুমান বিষয়ৰ পৰিবৰ্তন অনা প্ৰচেষ্টাৰ এক মাধ্যম হিচাপেও সামাজিক আন্দোলনৰ উদয় হয়, উদাহৰণ স্বৰূপে জনজাতি সকলক বনাঞ্চল ব্যৱহাৰ কৰিবলৈ দিয়া অধিকাৰ নিশ্চিত কৰা, উচ্ছেদ হোৱা জনসাধাৰণক পুনৰ সংস্থাপন কৰা আদি। যেতিয়া সামাজিক আন্দোলনে সামাজিক পৰিবৰ্তন অনাৰ প্ৰচেষ্টা অব্যাহত ৰাখে তেতিয়া এই আন্দোলন কেতিয়াবা বিপৰীত ধৰ্মী আন্দোলনৰ বাধাৰ সন্মুখীন হয়। উদাহৰণ হিচাপে যেতিয়া ব্ৰাহ্মসমাজ প্ৰতিষ্ঠাৰ জৰিয়তে ৰাজা ৰামমোহন ৰায়ে সতীদাহ প্ৰথাৰ বিৰুদ্ধে এক সামাজিক আন্দোলনৰ সূচনা কৰিছিল তেতিয়া এই প্ৰথাক ৰক্ষণা বেক্ষণ দিয়া সকলে প্ৰতিষ্ঠা কৰিছিল "ধৰ্ম সভা" আৰু তেওঁলোকে সতীদাহ প্ৰথাৰ বিৰুদ্ধে আইন ৰচনা নকৰিবলৈ বৃটিছক আবেদন জনাইছিল। মহিলা শিক্ষাৰ প্ৰচলন, বিধবা পুনৰ

বিবাহ প্ৰসংগ উত্থাপন আদি বিষয়তো সমাজ সংস্কাৰক সকলে এনে বিপৰীত ধৰ্মী প্ৰতিবাদৰ সন্মুখীন হৈছিল। অন্যহাতে ভাৰতীয় সমাজৰ “ নিম্ন জাতি”ৰ ল'ৰা-ছোৱালীক বিদ্যালয়ত নামভৰ্ত্তিৰ সুযোগ দিয়াৰ সময়ত “ উচ্চ জাতিৰ” ল'ৰা-ছোৱালীক বিদ্যালয়ৰ পৰা তেওঁলোকৰ পৰিয়ালে লৈ আনিছিল। কৃষক আন্দোলনো এনে নিস্পেষণৰ সন্মুখীন হৈছিল। সেইদৰে শৈক্ষিক প্ৰতিষ্ঠানত আসন সংৰক্ষণ প্ৰসাৰতাৰ প্ৰস্তাবৰ বিপক্ষেও এনে বহুতো বিপৰীত ধৰ্মী আন্দোলনৰ সূচনা হৈছিল। সামাজিক আন্দোলনে সহজেই এখন সমাজলৈ পৰিবৰ্তন আনিব নোৱাৰে। যিহেতু ই ভিন্ন বিপৰীত স্বাৰ্থ আৰু মূল্যবোধৰ মাজেৰে আগবাঢ়িব লগা হয়, য'ত কিছুলোকৰ বিৰুদ্ধাচৰণৰ পূৰ্ণ সম্ভাৱনীয়তাই থাকে, কিন্তু এক দীৰ্ঘসময়ৰ পিছত পৰিবৰ্তন অৱশ্যম্ভাৱী হৈ পৰে।

যেতিয়া প্ৰতিবাদ হৈ পৰে সামুহিক ক্ৰিয়াৰ এক মূৰ্ত্তৰূপ, তেতিয়া সামাজিক আন্দোলনে লক্ষ্য হিচাপে লোৱা বিষয়টোক জনসমাজলৈ মুকলি কৰে আৰু এই মুকলি কৰি দিয়া কাৰ্যত সামাজিক আন্দোলনকাৰী সকলে জনসভাসমূহ অনুষ্ঠিত কৰে। এনে সক্ৰিয়তাই বুজাপৰাসমূহ আদান- প্ৰদান কৰাৰ ক্ষেত্ৰত বিশেষভাৱে সহায় কৰে। সামাজিক আন্দোলনে এক অনন্য প্ৰেক্ষাপটৰ সৃষ্টি কৰে য'ত চৰকাৰ ,সংবাদ মাধ্যম আৰু অন্যান্য গুৰুত্বপূৰ্ণ মাধ্যমসমূহৰ জৰিয়তে ৰাজহুৱা মন্তব্য প্ৰকাশ কৰা হয়। সামাজিক আন্দোলনে বিভিন্ন বৈশিষ্টসূচক প্ৰতিবাদৰ বিকাশ ঘটায়। এইবোৰৰ ভিতৰত মম আৰু শিখা লৈ শোভাযাত্ৰা, ক'লা কাপোৰৰ ব্যৱহাৰ, বাটৰ নাট, গীত, কবিতা অন্যতম। কিন্তু স্বাধীনতা আন্দোলনত অহিংসা, সত্যাগ্ৰহ আদিৰ প্ৰয়োগেৰে গান্ধীজীয়ে এক নতুন দিশৰ উন্মোচন কৰিছিল। লোণ উৎপাদনত ঔপনিৱেশিক নিষেধাজ্ঞা ভংগ কৰা আৰু পিকেটিং আদিৰ লেখীয়া নতুনত্ব প্ৰকাশ পোৱা প্ৰতিবাদবোৰ মনত পেলোৱা।

**ক্ৰিয়াকলাপ ৮.৩**

তোমালোকে দেখা বা শুনা বিভিন্ন সামাজিক আন্দোলনৰ এখন তালিকা প্ৰস্তুত কৰা। সেই আন্দোলনবোৰে কেনে ধৰণৰ পৰিবৰ্তন আনিব বিচাৰে আৰু কেনেধৰণৰ পৰিবৰ্তনক ৰোধ কৰিব বিচাৰে বিচাৰ কৰা।

বন্ধনী ৮.২

## সত্যাগ্ৰহ কাৰ্যসূচী ঃ

ভাৰতীয় জাতীয়তাবাদী সংগ্ৰামৰ কালছোৱাত বিদেশী ক্ষমতা আৰু মূলধনৰ সমন্বয়ক কেন্দ্ৰ কৰিয়েই সামাজিক প্ৰতিবাদ গঢ়ি উঠিছিল। কলত তৈয়াৰী বস্ত্ৰৰ প্ৰচলনক সহায় কৰা চৰকাৰী নীতিৰদ্বাৰা জীৱিকা ধ্বংস হোৱা কপাহ-খেতিয়ক আৰু তাঁতীসকলক সমৰ্থন জনোৱাৰ উদ্দেশ্যে মহাত্মা গান্ধীয়ে খাদী বস্ত্ৰ পৰিধান কৰিছিল । বৃটিছ সাম্ৰাজ্যক লাভাৱান্বিত কৰাৰ স্বাৰ্থত বৃটিছসকলে মৌলিক প্ৰয়োজনীয় সামগ্ৰীৰ উপভোক্তাসকলৰ ওপৰত কৰৰ বোজা জাপি দিছিল। মহাত্মা গান্ধীৰ নেতৃত্বত লোণ আইন ভংগ কৰিবলৈ ঐতিহাসিক দাণ্ডি যাত্ৰা আছিল বৃটিছসকলৰ কৰ-ৰোপন নীতিৰ বিৰুদ্ধে এক প্ৰতিবাদ। তেওঁ সাধাৰণলোকৰ দৈনন্দিন লাগতিয়াল সামগ্ৰী যেনে- কাপোৰ, নিমখ আদিক প্ৰতিৰোধ চিহ্নলৈ ৰূপান্তৰ কৰি প্ৰতিবাদ সাব্যস্ত কৰিছিল।



**Breaking the Salt Laws, 1930**
As part of civil disobedience Gandhi chose to break the Salt Laws as a mode of protest. In the first photograph, women are seen bearing pots containing brine on their way to the salt pans.

*Photographs courtesy: Nehru Memorial Museum and Library, New Delhi*

**বন্ধনী ৮.৩**

**বিমল দাদাচাহেব ম'ৰে (১৯৭০)**

পাৰধী (Paradhi) সম্প্ৰদায়ত জন্ম গ্ৰহণ কৰা অংকুশ কালেয়ে এখন জনসভাত কৈছিল যে " পাৰধী সকল বৰ নিপুণ চিকাৰী। তথাপি সমাজে আমাক অপৰাধী হিচাপেহে স্বীকৃতি দিয়ে......আমাৰ সম্প্ৰদায়টোৱে প্ৰায়ে চুৰিৰ অপৰাধত পুলিচ (আৰক্ষী) ৰ আতিশয্যৰ বলি হ'বলগা হয়। যেতিয়াই গাঁৱৰ ক'ৰবাত চুৰি হয়, তেতিয়াই আমাক গ্ৰেপ্তাৰ কৰা হয়। আৰক্ষীয়ে আমাৰ মহিলা সকলক শোষণ কৰিছে আৰু আমি তেওঁলোকক কৰা অৱমাননাৰ সাক্ষী হৈ আছো। সমাজে আমাৰ পৰা এটা দূৰত্ব বজাই ৰাখিবলৈ চেষ্টা কৰে, কিয়নো আমাক কোৱা হয় চোৰ, কিন্তু আমাৰ কথা ভাবিবলৈ কোনোবা আছেনে? কিয় আমাৰ মানুহে চুৰ কৰে? এইখনেই সমাজ যিখন সমাজে আমাক বাধ্য কৰিছে চুৰি কৰিবলৈ। তেওঁলোকে আমাক কোনো কামো নিদিয়ে, কাৰণ আমি পাৰধী"

(Source : Sharmila Reg writing caste/writing gender :narrating dalit women's testimonies Zubaan/Kali New Delhi 2006)

**বন্ধনী ৮.৩ ৰ অনুশীলনী**

তলত দিয়া বিৱৰণীটো পঢ়া। এক নতুন ধৰণৰ ঐক্যমত কিদৰে বিকশিত হৈছে? প্ৰভাৱশালী সমাজৰ ধাৰণাৰ ওপৰত কেনেকৈ প্ৰশ্নৰ অৱতাৰণা হৈছে?

## সামাজিক পৰিৱৰ্তন আৰু সামাজিক আন্দোলনৰ পাৰ্থক্য (Distinguishing Social Change and Social Movements)

সামাজিক পৰিৱৰ্ত্তন আৰু সামাজিক আন্দোলনৰ মাজৰ পাৰ্থক্য এটা গুৰুত্বপূৰ্ণ বিষয়, সামাজিক পৰিৱৰ্তন এক অৱধাৰিত প্ৰক্ৰিয়া, অন্যহাতে সামাজিক আন্দোলন সদায় এক নিৰ্দিষ্ট লক্ষ্যৰ দিশত আগবাঢ়ে, ইয়াত অন্তৰ্নিৰ্হিত হৈ থাকে জনসাধাৰণৰ দীৰ্ঘদিনীয়া প্ৰচেষ্টা আৰু সামাজিক ক্ৰিয়া, ইতিমধ্যে পৰ্য্যালোচিত সংস্কৃতকৰণ আৰু পশ্চিমীয়াকৰণ প্ৰক্ৰিয়া দুটা হৈছে সামাজিক পৰিৱৰ্তন প্ৰক্ৰিয়াৰ অন্যতম উদাহৰণ আৰু ১৯ শতিকাৰ

সামাজিক পৰিৰৰ্তনৰ লক্ষ্যৰে কৰা সমাজ সংস্কাৰকসকলৰ সামূহিক প্ৰচেষ্টা আছিল সামাজিক আন্দোলনৰ প্ৰতিভূ।

## ৮.২ সমাজতত্ত্ব আৰু সামাজিক আন্দোলন Sociology and Social Movements

সামাজিক আন্দোলনৰ অধ্যয়ন কিয় সমাজতত্ত্বৰ বাবে গুৰুত্বপূৰ্ণ ঃ

**(Why the Study of Social Movements is Important for Sociology)**

প্ৰাৰম্ভণিৰে পৰা সমাজতত্ত্বই সামাজিক আন্দোলনৰ অধ্যয়নত গুৰুত্ব আৰোপ কৰি আহিছে। ফৰাছী বিপ্লৱ বিভিন্ন হিংসাত্মক আন্দোলনৰ এক সমষ্টি আছিল যাৰ লক্ষ্য আছিল ৰাজশাসনৰ অন্ত পেলাই সমতা, ন্যায় আৰু স্বাধীনতাক প্ৰতিষ্ঠা কৰা। বিটেইনৰ ঔদ্যোগিক বিপ্লৱেও এক অন্যান্য সামাজিক উত্থানৰ পাতনি মেলিছিল। গ্ৰাম্যাঞ্চলৰ পৰা অহা দুখীয়া কৃষক আৰু শ্ৰমিক শ্ৰেণীয়ে সেইসময়ত এক অস্বস্তিকৰ পৰিৱেশৰ মুখামুখি হৈছিল য'ত তেওঁলোকক অস্বাস্থ্যকৰ পৰিৱেশত থাকিবলৈ বাধ্য কৰোৱা হৈছিল। এই বিদ্ৰোহবোৰক সমাজৰ বিশিষ্ট শ্ৰেণীটোৱে সামাজিক নীতি-নিয়ম বৰ্তী থকাত প্ৰতিবন্ধক হিচাপে গণ্য কৰিছিল। সামাজিক নিৰ্দেশাৱলীক ধৰি ৰখাত বিশিষ্ট শ্ৰেণীটোৰ উদগনি প্ৰতিফলিত কৰিছে সমাজ দাৰ্শনিক ইমাইল দুৰখেইমৰ অৱদান সমূহে। তেখেতৰ লিখনি সমূহৰ ভিতৰত অন্যতম হৈছে সমাজত শ্ৰমৰ শ্ৰেণী বিভাজন আৰু আত্মহত্যা। লগতে কিদৰে সামাজিক সংৰচনাত সামাজিক সংহতিয়ে যোগাত্মক প্ৰভাৱ পেলাব সেয়া অন্যতম। মুখ্যতঃ সামাজিক আন্দোলনসমূহত দেখা গৈছিল এক প্ৰকাৰৰ বিৰূপ প্ৰভাৱ যিয়ে সামাজিক শৃংখলা বিনষ্ট কৰে।

কাৰ্লমাৰ্ক্সৰ আদৰ্শৰে প্ৰভাৱিত বহুকেইজন দাৰ্শনিক পণ্ডিতে হিংসুক সামূহিক ক্ৰিয়াৰ এক নতুন দিশ উন্মোচন কৰিছিল। ই.পি. থমপচনৰ দৰে ইতিহাসবিদে যুক্তি দৰ্শাইছিল যে জাকৰুৱা বা হাই-উৰুমি কৰা ডেকাৰ দল সমাজ ধংসৰ বাবে সংৰোপিত

কোনো অৰাজক ডেকাৰ দল নহয়। বৰং তেওঁলোকৰো আছে এক নৈতিক অৰ্থনীতি। অৰ্থাৎ কাৰ্য সঞ্চালনৰ বাবে ভাল আৰু বেয়া বিচাৰ কৰা বোধশক্তি তেওঁলোকৰো আছে। সমাজ দাৰ্শনিকসকলৰ গৱেষণাই দৰ্শাইছিল যে নগৰ অঞ্চলৰ দুখীয়া জনসাধাৰণৰ বিদ্ৰোহ কৰিব পৰাকৈ নিশ্চয়কৈ যুক্তি আছিল। তেওঁলোকে কেতিয়াবা ৰাজহুৱা ধৰ্মঘটৰো সহায় ল'বলগা হৈছিল কিয়নো তেওঁলোকক কৰা বঞ্চনাৰ ক্ষোভ উজাৰিবলৈ তাৰ বাদে অন্য উপায় নাছিল।

## সামাজিক আন্দোলনৰ তত্বসমূহ Theories of Social Change

আপেক্ষিক বঞ্চনাতত্ত্বৰ মতে, সামাজিক সংঘৰ্ষৰ তেতিয়াই সূত্ৰপাত হয় যেতিয়াই এটা সামাজিক সমূহে তেওঁলোকৰ চৌপাশতকৈ নিজকে হেয় বা অৱহেলিত হিচাপে আৱিষ্কাৰ কৰে। এনে সংঘৰ্ষই সামূহিক বিদ্ৰোহৰ ৰূপত কৃতকাৰ্য্যতা লাভ কৰে। এই সিদ্ধান্তৰ সীমাবদ্ধতা এই যে সামূহিক ক্ৰিয়াৰ বাবে বঞ্চনাৰ অনুভৱ আৱশ্যকীয় কিন্তু ইয়েই একমাত্ৰ কাৰক নহয়।

সংগঠনাত্মক ৰূপত সামূহিকতাৰে আগবাঢ়িবলৈ হ'লে অসন্তুষ্টিসমূহ আলোচনা আৰু বিশ্লেষণ কৰিব লাগিব যিয়ে গ্ৰহণীয়কৈ আদৰ্শ আৰু কৌশল ৰচনা কৰাত সহায় কৰিব। গতিকে আপেক্ষিক বঞ্চনা আৰু সামূহিক ক্ৰিয়াৰ মাজত তেনে কোনো আত্মিক সম্পৰ্ক নাই। নেতৃত্ব আৰু সংগঠন সমান্তৰালকৈ সামূহিক ক্ৰিয়াৰ বাবে দায়ী।

মানকাৰ অলছন (Mancur Olson)ৰ The Logic of Collective Action নামৰ গ্ৰন্থত যুক্তি দৰ্শাইছিল যে এটা সামাজিক আন্দোলন হৈছে যুক্তিবাদী ব্যক্তিৰ ব্যক্তিগত ক্ষোভৰ এক বৰ্হিপ্ৰকাশ। এজন ব্যক্তিয়ে সামাজিক আন্দোলনত তেতিয়াহে অংশগ্ৰহণ কৰিব যেতিয়া তেওঁ বা তাইৰ নিজৰ আশা থাকিব। অলছনৰ সিদ্ধান্ত সম্পূৰ্ণকৈ যৌক্তিক ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত। তুমি ভাবানে মানুহে সদায় নিজৰ লাভালাভৰ

**ক্ৰিয়াকলাপ ঃ ৮.৪**

কোনো এটা সামাজিক আন্দোলনৰ বিষয়ে ভাৱা। এই ক্ষেত্ৰত তোমালোকে ভাৰতীয় জাতীয় আন্দোলনৰ বিষয়েও চিন্তা কৰিব পাৰা বা কোনো জনজাতীয় আন্দোলনক ল'ব পাৰা। তোমালোকে আলোচনা কৰা যে মানুহবোৰে এই আন্দোলনত ভাল বেয়া দিশ চিন্তা কৰি যোগ দিছিল নে? ইয়াৰ দ্বাৰা ব্যক্তিগত ভাৱে তেওঁলোক লাভান্বিত হৈছিল নে?

গণনা কৰিয়েই কোনো কাম কৰে নেকি?

মেককাৰডী আৰু যল্ড ৰ সম্পদৰ গতিশীলতাৰ সিদ্ধান্তই অলছনৰ সিদ্ধান্তৰ সম্পূৰ্ণ বিৰোধিতা কৰি কৈছিল যে সম্পদৰ আহৰণ বা বিভিন্ন ধৰণৰ উপায় কামত লগোৱাৰ সক্ষমতাই মানুহক আন্দোলনমুখী কৰি তোলে। লগতে ইয়াৰ বাবে লাগে সামাজিক আন্দোলনক আগবঢ়াই নিয়া সংগঠনৰ নেতৃত্ব, সাংগঠনিক নৈপুণ্যতা আৰু যোগাযোগৰ সু-ব্যৱস্থা। সমালোচকসকলে কৈছে যে সীমিত সম্পদৰাজিয়ে কেতিয়াও সামাজিক আন্দোলনৰ স্থায়িত্ব আনি নিদিয়ে। ই কেতিয়াবা নতুন প্ৰতীক আৰু পৰিচয়ো বহন কৰিব পাৰে। সামাজিক সংঘৰ্ষৰ বাবে এটা সমূহে সচেতনভাৱে নিজকে শোষিত হিচাপে চিনি পাব লাগিব। অৱশ্যে কেতিয়াবা কোনো সমূহে শোষণৰ বলি হৈ সম্পূৰ্ণকৈ শোষণৰ গূঢ়াৰ্থ অনুভৱ কৰিব পাৰে, কিন্তু ৰাজনৈতিক মেৰপাক নৎসাত কৰাৰ সক্ষমতা নাথাকিবও পাৰে।

**বন্ধনী ৮.৪**

দক্ষিণ এছিয়াৰ দুখীয়া মহিলাসকলৰ ওপৰত কৰা অধ্যয়নে প্ৰমাণ কৰিছিল যে তেওঁলোকৰ স্বামীসকলে মদ্যপানৰ বাবে মহিলাসকলৰ ক্ষুদ্ৰ সঞ্চয়ৰ পৰা ধন দাবী কৰিছিল। মহিলাসকলে কৌশলেৰে দুটা বেলেগ বেলেগ ঠাইত লুকুৱাই জমা কৰা ধনৰ এঠাইৰ পৰা টকা আনি তেওঁলোকক দিছিল । এনেদৰে তেওঁলোকৰ আনটো ঠাইত লুকুৱাই ৰখা জমা ধন ৰক্ষা পৰিছিল।

**বন্ধনী ৮.৪ৰ অনুশীলনী ঃ**

ওপৰত উল্লেখিত ব্যৱস্থাটো জীৱন ধাৰণৰ বাবে এক উপযুক্ত ব্যৱস্থা হয়নে? আলোচনা কৰা।

## ৮.৩ সামাজিক আন্দোলনৰ প্ৰকাৰ
## TYPES OF SOCIAL MOVEMENTS

### শ্ৰেণীকৰণৰ এটা প্ৰকাৰ ঃ সংস্কাৰমূলক,পৰিবৰ্তনমূলক আৰু বৈপ্লৱিক

### ONE WAY OF CLASSIFICATION : REFORMIST, REDEMPTIVE, REVOLUTIONARY

সামাজিক আন্দোলনক বিভিন্ন ধৰণেৰে শ্ৰেণীকৰণ কৰিব পাৰি। এনে এটা ধৰণৰ শ্ৰেণীকৰণ হ'ল - (১) পৰিৰ্বতন মূলক (redemptive or transformatory), (২) সংস্কাৰমূলক (reformist) আৰু (৩)বৈপ্লৱিক (revolutionary)।

ইয়াৰ ভিতৰত পৰিবৰ্তনমূলক সামাজিক আন্দোলনে এখন সমাজৰ ব্যক্তিৰ ব্যক্তিগত সজাগতা আৰু সামাজিক ক্ৰিয়াবোৰক পৰিবৰ্তন কৰাৰ উদ্দেশ্য আগত ৰাখে। উদাহৰণ স্বৰূপে -নাৰায়ণ গুৰু নামৰ এজন লোকৰ নেতৃত্বত গঢ়ি উঠা সামাজিক আন্দোলনে কেৰালাৰ ইঝাভা সম্প্ৰদায়ৰ মাজত থকা সামাজিক নীতি নিয়ম পৰিবৰ্তন কৰিব বিচাৰিছিল। সংস্কাৰমূলক আন্দোলনবোৰে আকৌ সমাজত চলি থকা সামাজিক আৰু ৰাজনৈতিক ব্যৱস্থাবোৰক ধীৰে ধীৰে উন্নত কৰিব বিচাৰে। এনে ধৰণৰ সংস্কাৰমূলক আন্দোলনৰ উদাহৰণ হ'ল - ১৯৬০ ৰ দশকত ভাৰতবৰ্ষত ভাষাৰ ভিত্তিত ৰাজ্যসমূহৰ পুনৰ্গঠনৰ বাবে হোৱা আন্দোলন আৰু বৰ্তমানে থকা "তথ্য জনাৰ অধিকাৰ" ৰ বাবে হোৱা প্ৰচাৰ। আনহাতে বৈপ্লৱিক

**ক্ৰিয়াকলাপ নং ৮.৫**

তলত দিয়া সামাজিক আন্দোলনবোৰ কোন শ্ৰেণীৰ হয় বিচাৰ কৰিবৰ যত্ন কৰা।

- টেলেংগানা সংগ্ৰাম।
- টেভাগা আন্দোলন।
- স্বাধ্যা পৰিবাৰ আন্দোলন।
- চান্থাল্ হুল।
- বীৰচা মুণ্ডাৰ নেতৃত্বত হোৱা উলগুলান আন্দোলন।
- যৌতুকৰ বাবে বলি হোৱাৰ বিপক্ষে কৰা আন্দোলন।
- দলিত সকলক মন্দিৰত প্ৰবেশ কৰিবৰ অনুমতি প্ৰদানৰ বাবে কৰা আন্দোলন।
- উত্তৰাঞ্চল আৰু ঝাৰখণ্ডই পৃথক ৰাজ্যৰ বাবে কৰা আন্দোলন।
- বংগ, মহাৰাষ্ট্ৰ আৰু অন্যান্য ঠাইত বিধৱা পুনৰ্বিবাহৰ বাবে কৰা আন্দোলন।
- তুমি জনা অন্যান্য সামাজিক আন্দোলন।

বা বিপ্লৱধৰ্মী আন্দোলনবোৰে সামাজিক সম্পৰ্কক পৰিবৰ্তন কৰিব বিচাৰে। এনে কৰিবলৈ যাওঁতে কেতিয়াবা আন্দোলনকাৰীয়ে চৰকাৰী ক্ষমতাও নিজৰ হাতলৈ আনি লয়। এনে বিপ্লৱধৰ্মী আন্দোলনৰ উদাহৰণ হিচাপে এসময়ত ৰাছিয়াত সংঘটিত বলছেভিক আন্দোলন (Bolshevik revolution) লৈ আঙুলিয়াব পাৰো। এই আন্দোলনৰদ্বাৰা সাম্যবাদী ৰাষ্ট্ৰ গঠন বা 'জাৰ'(Tsar) ক শাসনৰ পৰা পদচ্যুত কৰিছিল। ইয়াৰ লগতে ভাৰতত সংঘটিত নক্সাল আন্দোলনো এই শ্ৰেণীৰ আন্দোলন, যি ভূ-স্বামী (landlords) সকল আৰু ৰাষ্ট্ৰৰ বহু চৰকাৰী বিষয়াৰ অত্যাচাৰ ৰোধ কৰিব বিচাৰে।

অৱশ্যে এই ধৰণেৰে সামাজিক আন্দোলনবোৰক শ্ৰেণীকৰণ কৰিবলৈ যাওঁতে দেখা যায় যে প্ৰতিটো আন্দোলনতেই পৰিবৰ্তন মূলক, সংস্কাৰমূলক, বিপ্লৱধৰ্মী আন্দোলনৰ উপাদান নিহিত হৈ থাকে। অৰ্থাৎ একোটা আন্দোলনত আটাইকেইবিধ আন্দোলনৰ উপাদানেই অন্তৰ্নিহিত হৈ থাকে। অথবা দেখা যায় কোনোটো আন্দোলনে বিপ্লৱধৰ্মী চৰিত্ৰৰে উদয় হয় যদিও পিছলৈ সংস্কাৰধৰ্মী হৈ পৰে। অৰ্থাৎ চৰিত্ৰগত ভাৱে পৰিবৰ্তিত হৈ পৰে। কেতিয়াবা কোনো আন্দোলন প্ৰথমে সামূহিক প্ৰতিবাদৰ ভিত্তিত আৰম্ভ হৈ পিছত অধিক সাংগঠনিক আৰু অনুষ্ঠান ভিত্তিক হৈ পৰে।


সামাজিক আন্দোলন এটা কোন শ্ৰেণীত পৰিব বা কেনেদৰে উপলব্ধি কৰা হ'ব সেয়া সদায় এক আলোচনাৰ বিষয় হৈ পৰে। বিভিন্ন মানুহে এটা আন্দোলনক বিভিন্ন দৃষ্টিৰে চাই ভিন্ন শ্ৰেণীত অন্তৰ্ভুক্ত কৰিব পাৰে। উদাহৰণ স্বৰূপে- ভাৰতীয় জাতীয়তাবাদী সকলৰ বাবে ১৮৫৭ চনত দেশত বৃটিছ ঔপনিবেশিক শাসনৰ বিপক্ষে গঢ়ি উঠা বিদ্ৰোহ (যি আছিল স্বাধীনতাৰ বাবে প্ৰথম পদক্ষেপ) আছিল এক ৰাষ্ট্ৰদ্ৰোহ। প্ৰকৃতপক্ষে সেই সময়ৰ ভাৰতৰ কৰ্তৃপক্ষ বৃটিছ প্ৰশাসনৰ বিপক্ষে উভতি ধৰা কাৰ্যই হ'ল ৰাষ্ট্ৰদ্ৰোহ আৰু বৃটিছ প্ৰশাসনৰ সন্মুখত ভাৰতত স্বাধীনতাৰ বাবে হোৱা এনে প্ৰচেষ্টা এক প্ৰত্যাহ্বান হিচাপে থিয় দিছিল।

**সামাজিক আন্দোলনক শ্ৰেণীকৰণ কৰাৰ আন এটি প্ৰকাৰ ঃ পুৰণি আৰু নতুন সামাজিক আন্দোলন (Another Way of Classifying : Old and New)**

বিংশ শতিকাৰ সামাজিক আন্দোলনবোৰৰ অধিকাংশই হ'ল শ্ৰেণীভিত্তিক

আন্দোলন। উদাহৰণস্বৰূপে, শ্ৰমিক শ্ৰেণীৰ আন্দোলন, কৃষক আন্দোলন, ঔপনিবেশিকতাৰ বিপৰীতে আন্দোলন ইত্যাদি। দেখা গৈছিল যে যি সময়ত ঔপনিবেশিকতাৰ বিপৰীতে গঢ়ি উঠা আন্দোলনে দেশক ঔপনিবেশিকতাৰ আমোলৰ পৰা মুক্ত কৰাৰ বাবে ভাৰতবৰ্ষৰ জনগণক একগোট কৰিছিল, সেই সময়ত শ্ৰেণী ভিত্তিত গঢ়ি উঠা আন্দোলনবোৰে প্ৰতিটো শ্ৰেণীৰ লোককে নিজৰ অধিকাৰ পাবৰ বাবে একগোট কৰি তুলিছিল।

যোৱা শতিকাৰ সুদূৰ প্ৰসাৰী সামাজিক আন্দোলনবোৰ এইদৰে শ্ৰেণীৰ ভিত্তিত গঢ় লৈ উঠিছিল বা জাতীয় মুক্তিৰ বা দেশক বৃটিছ প্ৰশাসনৰ পৰা মুক্তিৰ বাবে গঢ়ি উঠিছিল। তোমালোকে ইতিমধ্যে তোমালোকৰ ইতিহাসৰ কিতাপত ইউৰোপত হোৱা শ্ৰমিক আন্দোলনবোৰৰ বিষয়ে অধ্যয়ন কৰিছা। দেখা গৈছিল যে এই আন্দোলনবোৰে এক আন্তঃৰাষ্ট্ৰীয় সাম্যবাদী আন্দোলন গঢ়ি তোলাৰ প্ৰয়াস কৰিছিল। এই আন্দোলনবোৰৰ যোগে ছোভিয়েট ইউনিয়ন, চীন, কিউবা ইত্যাদি ৰাষ্ট্ৰত সাম্যবাদী আৰু সমাজবাদী ৰাষ্ট্ৰ গঠন কৰাৰ লগতে বিভিন্ন ৰাষ্ট্ৰৰ পুঁজিবাদী ব্যৱস্থাটোৰ সংস্কাৰ সাধিবলৈ সক্ষম হৈছিল। আকৌ ইউৰোপ মহাদেশৰ পশ্চিম প্ৰান্তৰৰ বহু পুঁজিবাদী ৰাষ্ট্ৰত শ্ৰমিকৰ অধিকাৰ, বিশ্বজনীন শিক্ষা (universal education), স্বাস্থ্য খণ্ডৰ উন্নতি, সামাজিক নিৰাপত্তা (social security) প্ৰদানক প্ৰাধান্য দিয়া কল্যাণকামী ৰাষ্ট্ৰ (welfare state) ৰ সৃষ্টিৰ আঁৰতো কিছু পৰিমাণে এই সাম্যবাদী আৰু সামাজিক আন্দোলনবোৰৰ ৰাজনৈতিক হেঁচা জড়িত আছিল। ইয়াৰ পৰাই ঠাৱৰ কৰিব পাৰি যে এই আন্দোলনবোৰে পুঁজিবাদী ব্যৱস্থাৰ বিপক্ষে যুঁজ দিছিল আৰু পুঁজিবাদৰ বিপক্ষে প্ৰভাৱ পেলাবলৈ সক্ষম হৈছিল। ভাৰতবৰ্ষত ঔপনিবেশিক প্ৰশাসনৰ বিপক্ষে সৃষ্টি হোৱা আন্দোলনেও সেই পুঁজিবাদৰ বিপক্ষে হোৱা আন্দোলনৰ দৰেই এক প্ৰভাৱ পেলাবলৈ সক্ষম হৈছিল। দেখা গৈছিল পুঁজিবাদ আৰু ঔপনিবেশিকতাবাদ দুয়োটাই সাম্ৰাজ্যবাদী (imperialism) ধাৰণাৰ যোগে সম্পৰ্কযুক্ত আছিল।




অৰ্থাৎ এই দুয়োটা ব্যৱস্থাতে সাম্ৰাজ্যবাদী ধাৰণা জড়িত আছিল। সেয়েহে সামাজিক আন্দোলনবোৰে এই দুয়োটা শোষণনীতিক লক্ষ্য হিচাপে লৈ ইয়াৰ বিপক্ষে আন্দোলন কৰিছিল। সেয়ে ক'ব পাৰি যে- ভাৰতৰ জাতীয় আন্দোলন বিদেশী শাসন বা বিদেশী শক্তি আৰু বিদেশী পুঁজিৰদ্বাৰা দেশ পৰিচালিত হোৱাৰ বিপক্ষে চলিছিল।

দ্বিতীয় বিশ্বযুদ্ধৰ পাছৰ দশকত দেখা গৈছিল যে ভাৰতবৰ্ষ, ইজিপ্ত, ইণ্ডোনেচিয়া ইত্যাদি বহুতো ৰাষ্ট্ৰত জাতীয় আন্দোলনৰ যোগে বিদেশী ৰাষ্ট্ৰই গঢ়া সাম্ৰাজ্য শেষ হৈছিল আৰু নতুন ৰাষ্ট্ৰ গঠন হৈ উঠিছিল। তেতিয়াৰ পৰাই ১৯৬০ ৰ দশক আৰু ১৯৭০ ৰ দশকৰ আগভাগত আন এক ধৰণৰ সামাজিক আন্দোলন হৈছিল। এই সময়ছোৱাতে আকৌ আমেৰিকা যুক্তৰাষ্ট্ৰই পূৰ্বতে ফ্ৰান্সৰ উপনিবেশ থকা ভিয়েটনামত কমিউনিষ্ট গেৰিলা বাহিনীৰ বিপক্ষে এক ৰক্তাক্ত যুদ্ধত অৱতীৰ্ণ হৈছিল। ইউৰোপত আকৌ এক শিহৰণকাৰী ছাত্ৰ আন্দোলনৰ কেন্দ্ৰস্থল আছিল পেৰিছ আৰু যুদ্ধৰ অৱসান ঘটাবলৈ এই ছাত্ৰসকলো শ্ৰমিক দলবোৰৰ লগত এলানি প্ৰতিবাদী কাৰ্যসূচীত যোগ দিছিল।

দেখা গৈছিল যে আমেৰিকা যুক্তৰাষ্ট্ৰই আটলান্টিক মহাসাগৰৰ ইপাৰ সিপাৰৰ বহু দেশৰ পৰা সামাজিক প্ৰতিবাদৰ সন্মুখীন হ'ব লগীয়া হৈছিল। আকৌ মানুহৰ অসামৰিক অধিকাৰৰ বাবে মাৰ্টিন লুথাৰ কিঙে নেতৃত্ব বহন কৰা এক আন্দোলনক Malcolm নামৰ এজন লোকে নেতৃত্ব দিয়া Black power নামৰ শোষিত শ্ৰেণীৰ আন্দোলনে অনুসৰণ কৰিছিল। যুদ্ধৰ বিপক্ষে হোৱা আন্দোলনত প্ৰায় দহ হাজাৰৰ অধিক ছাত্ৰ-ছাত্ৰীয়ে যোগ দিছিল, যিসকলক চৰকাৰে ভিয়েটনামৰ যুদ্ধত বাধ্যতামূলকভাৱে যুঁজ দিবলৈ নিযুক্তি দিছিল। এই সময়ছোৱাৰ ভিতৰতে বহু নাৰী আন্দোলন আৰু পৰিবেশ আন্দোলনেও শক্তিশালী ৰূপত গতি লাভ কৰিছিল।

তথাকথিত 'নতুন সামাজিক আন্দোলন' (new social movement) ৰ সদস্যসকলক একে শ্ৰেণী বা ৰাষ্ট্ৰ হিচাপে শ্ৰেণীকৰণ কৰিবলৈ অসুবিধা হৈছিল। এক উমৈহতীয়া শ্ৰেণী পৰিচয়তকৈ তেওঁলোকৰ পৰিচয়বোৰ আছিল- ছাত্ৰ, নাৰী, কৃষ্ণাংগ অথবা পৰিৱেশ কৰ্মী। এতিয়া তোমালোকে প্ৰায়ে শ্ৰেণী ভিত্তিক গঢ়ি উঠা "পুৰণি সামাজিক আন্দোলন" যেনে- শ্ৰমিক আন্দোলন, কৃষক আন্দোলন ইত্যাদিবোৰ, " নতুন ,সামাজিক আন্দোলন" যেনে- নাৰী আন্দোলন, পৰিবেশ আন্দোলন বা জনজাতীয় আন্দোলনতকৈ কেনেকৈ পৃথক সেই কথা চিন্তা কৰা।

পঞ্চম অধ্যায়ত তোমালোকে ইতিমধ্যে শ্ৰমিক সংঘৰ আন্দোলন আৰু শ্ৰমিক সংগ্ৰামৰ বহুতো উদাহৰণৰ বিষয়ে জানি আহিছা।

## নতুন সামাজিক আন্দোলন আৰু পুৰণি সামাজিক আন্দোলনৰ পাৰ্থক্য (Distinguishing the New Social Movement From the Old Social Movements)

আমি ইতিমধ্যে দেখা পালো যে ঐতিহাসিক প্ৰসংগ কিছু পৃথক। সেই সময়ছোৱা এনে এটি সময় আছিল, যেতিয়া ভাৰতৰ জাতীয় আন্দোলনে ঔপনিবেশিক শক্তিক ওফৰাই দিছিল। আকৌ শ্ৰমিক আন্দোলনৰ যোগে পশ্চিমৰ বহু পুঁজিবাদী ৰাষ্ট্ৰত চৰকাৰৰ পৰা শ্ৰমিকসকলে উন্নত পাৰিশ্ৰমিক পোৱাৰ লগতে জীৱন ধাৰণৰ মান উন্নত কৰাৰ সুবিধা আদায় কৰিছিল। এই ক্ষেত্ৰত তেওঁলোকে চৰকাৰৰ পৰা সামাজিক নিৰাপত্তা, শ্ৰমিক সন্তানসকলৰ বাবে বিনামূলীয়া শিক্ষা আৰু স্বাস্থ্য ৰক্ষাৰ বহু সুবিধা লাভ কৰিব

পাৰিছিল। সেই সময়ছোৱাই আছিল এনে সময় য'ত সমাজবাদী আন্দোলনে নতুন ধৰণৰ কিছু ৰাষ্ট্ৰ আৰু সমাজ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। এই পুৰণি সামাজিক আন্দোলনবোৰৰ মূখ্য লক্ষ্য আছিল ক্ষমতাৰ পুনৰগঠন কৰা আৰু সেই কথা পৰিষ্কাৰভাৱে দেখুৱাইছিল।

পুৰণি সামাজিক আন্দোলনবোৰে কিছুমান ৰাজনৈতিক দলৰ ভিতৰত থাকি কাম কৰি গৈছিল। ভাৰতবৰ্ষত দেখা গৈছিল যে ভাৰতীয় জাতীয় কংগ্ৰেছৰদ্বাৰা ভাৰতীয় জাতীয় আন্দোলন (Indian National Movement.) পৰিচালিত হৈছিল। ঠিক তেনেদৰে চীনত হোৱা চীনা বিপ্লৱৰ নেতৃত্ব বহন কৰিছিল "Communist Party of China" ই। বৰ্তমান বহুতে ভাৱে যে শ্ৰমিক সংঘ বা শ্ৰমিক দলবোৰৰ যোগে এসময়ত হোৱা শ্ৰেণী ভিত্তিক ৰাজনৈতিক ক্ৰিয়া কলাপ বৰ্তমান লুপ্তপ্ৰায় হ'ল। আন কিছুৱে আকৌ ক'ব বিচাৰে যে পশ্চিমীয়া বহু দেশত কল্যাণকামী ৰাষ্ট্ৰ গঠন হোৱাৰ লগে লগে কিছুমান শ্ৰেণীৰ মানুহক কিছু শ্ৰেণীয়ে কৰা শোষণ আৰু সামাজিক অসমতা প্ৰধান বিষয় বস্তু হৈ নাথাকিল। অৰ্থাৎ কল্যাণকামী ৰাষ্ট্ৰ প্ৰতিষ্ঠা হোৱাৰ লগে লগে এই শোষণ আৰু সামাজিক অসমতা বহু পৰিমাণে কমি গ'ল। সেইফালৰ পৰা কোৱা হয় যে 'নতুন' সামাজিক আন্দোলনবোৰে সমাজৰ ক্ষমতা বিতৰণ পৰিবৰ্তনৰ লগত সম্পৰ্কযুক্ত হৈ নাথাকি মানুহৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰাৰ ওপৰত গুৰুত্ব দিছিল। য'ত সুন্দৰ প্ৰাকৃতিক পৰিবেশ পোৱাৰ দৰে বিষয়ৰ ওপৰত গুৰুত্ব দিছিল।

দেখা গৈছিল যে পুৰণি সামাজিক আন্দোলনবোৰত ৰাজনৈতিক দলবোৰে মূখ্য ভূমিকা গ্ৰহণ কৰিছিল। ৰাজনৈতিক বিজ্ঞানী ৰজ্নী কোঠাৰী (Rajni Kothari) ৰ মতে ১৯৭০ৰ দশকত ভাৰতত সামাজিক আন্দোলনৰ ঢৌ উঠাৰ মূল কাৰণ হ'ল দেশৰ সংসদীয় গণতন্ত্ৰৰ প্ৰতি মানুহৰ আস্থা কমি অহা। কোঠাৰীৰ মতে ৰাষ্ট্ৰৰ শাসনভাৰ দেশৰ সম্ভ্ৰান্ত শ্ৰেণীয়ে লাহে লাহে নিজৰ হাতৰ মুঠিলৈ নিছিল। ইয়াৰ পৰিণামত ৰাজনৈতিক দলবোৰে প্ৰতিনিধি নিৰ্বাচন কৰা পদ্ধতিটো দুখীয়া সকলৰ বাবে কাৰ্যকৰী বা ফলযুক্ত পদ্ধতি নাছিল। কিয়নো এই ৰাজনৈতিক দলবোৰেও সম্ভ্ৰান্ত ব্যক্তিকহে দলৰ পৰা নিৰ্বাচিত কৰিছিল, যিসকল প্ৰতিনিধিয়ে দৰিদ্ৰ শ্ৰেণীৰ হৈ বিশেষ কাম নকৰিছিল।

সেয়ে আনুষ্ঠানিক ৰাজনৈতিক ব্যৱস্থা বা ৰাজনৈতিক দলৰ লগত সম্পৰ্ক নথকা বাহিৰৰ লোকসকলে সামাজিক আন্দোলন বা ৰাজনৈতিক দলবিহীন ৰাজনৈতিক সংগঠন (non party political formation) সৃষ্টি কৰিছিল যাতে বাহিৰৰ পৰা চৰকাৰক জনসাধাৰণৰ প্ৰাপ্যৰ বাবে হেঁচা প্ৰয়োগ কৰিব পাৰে। বৰ্তমান যুগত বৃহত্তৰ সৰ্বসাধাৰণ সমাজে বিভিন্ন ৰাজনৈতিক দল আৰু শ্ৰমিক সংঘবোৰে পৰিচালিত কৰা "পুৰণি সামাজিক আন্দোলন" আৰু নতুন বেচৰকাৰী সংগঠন, মহিলা সংগঠন, পৰিবেশ কৰ্মীৰ সংগঠন ইত্যাদিবোৰক সূচায়।

তোমালোকে ইতিমধ্যে ভাৰতবৰ্ষৰ সামাজিক পৰিবৰ্তনৰ বিভিন্ন দিশৰ বিষয়ে অধ্যয়ন কৰোঁতে জানিছিলা যে, গোলকীকৰণ প্ৰক্ৰিয়াই ঔদ্যোগিক আৰু কৃষক সমাজত মানুহক এটা নতুন ৰূপ দিছে। অৰ্থাৎ এই সমাজবোৰলৈ পৰিবৰ্তনৰ এটা নতুন ৰূপ আহি পৰিছে। ইয়াৰ লগতে সংস্কৃতি, আৰু বিভিন্ন মাধ্যমতো পৰিবৰ্তন আহিছে। বহু ব্যৱসায়িক প্ৰতিষ্ঠান ৰাষ্ট্ৰীয় আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ গতি কৰে আৰু এই প্ৰতিষ্ঠানবোৰ "বিশ্ব বাণিজ্য সংস্থা" (World Trade Organisation) ৰ দৰে আন্তঃৰাষ্ট্ৰীয় সংগঠনৰ আইন, নীতি-নিয়মৰদ্বাৰা পৰিচালিত হৈছে। পৰিবেশ সুৰক্ষা, স্বাস্থ্যৰ সুৰক্ষা, নিউক্লীয় বা পাৰমাণৱিক যুদ্ধৰ বিভীষিকা ইত্যাদিয়ে বিশ্বজনীনতা প্ৰাপ্ত কৰিছে। সেয়ে বহু "নতুন আন্দোলনে" আন্তঃৰাষ্ট্ৰীয় পৰিসৰ লাভ কৰিছে। তথাপিও "World Social Forum" ৰ দৰে বহু সংগঠনে নতুন আৰু পুৰণি ধৰণৰ আন্দোলনৰ সংমিশ্ৰণ ঘটাই গোলকীয় সমস্যাৰ প্ৰতি জনসাধাৰণৰ সচেতনতা জগাই তুলিবলৈ যত্ন কৰি আহিছে।

**ভাৰতৰ ক্ষেত্ৰত পুৰণি আৰু নতুন সামাজিক আন্দোলনৰ পাৰ্থক্যৰ কথাটো ব্যৱহাৰ কৰিব পাৰোনে? (Can we apply the distinction between old and new social movement in the Indian context?)**

ভাৰতবৰ্ষত নাৰী, কৃষক, দলিত, আদিবাসী আৰু অন্যান্য বিষয়ৰ সৈতে জড়িত বহুতো সামাজিক আন্দোলনৰ অভিজ্ঞতা সঞ্চিত হৈ আছে। এতিয়া কথা হ'ল- এই আন্দোলনবোৰক "নতুন সামাজিক আন্দোলন" (new social movement) হিচাপে বুজিব বা ধৰিব পাৰিনে? গেইল অ'মভেড্ (Gail Omvedt) নামৰ এগৰাকী মহিলাই লেখা "Reinventing Revolution" নামৰ এখন গ্ৰন্থত প্ৰকাশ কৰিছে যে সামাজিক

অসমতা আৰু সম্পদৰ অসম (unequal) বিতৰণ ব্যৱস্থাৰ বাবেই এই সামাজিক আন্দোলনবোৰ হয়। এই ক্ষেত্ৰত কৃষক আন্দোলনবোৰ হোৱাৰ মূল কাৰণ হ'ল- তেওঁলোকে উৎপাদন কৰা সামগ্ৰীবোৰৰ বাবে উপযুক্ত মূল্য লাভ কৰা। আনহাতে দলিত শ্ৰমিকসকলে আন্দোলন কৰিছিল, তেওঁলোকক উচ্চ জাতিৰ মাটিৰ মালিক বা ভূ - স্বামীসকল আৰু টকা সুদলৈ দিওঁতা সকলে কৰা শোষণৰ পৰা মুক্তি পোৱাৰ উদ্দেশ্যে। আকৌ মহিলা বা নাৰী আন্দোলনবোৰ হোৱাৰ গুৰিতে আছিল বিভিন্ন ক্ষেত্ৰত যেনে- কৰ্মস্থান, পৰিয়ালৰ ভিতৰচ'ৰা ইত্যাদিত নাৰীক কৰা প্ৰভেদ জ্ঞান, অৱহেলা ইত্যাদি।

একে সময়তে আকৌ এই নতুন সামাজিক আন্দোলনবোৰ কেৱল 'অৰ্থনৈতিক অসমতা'ৰ দৰে পুৰণি বিষয়-বস্তুক লৈয়েই সৃষ্টি হোৱা নাছিল। অথবা কেৱল এটা সামাজিক শ্ৰেণীক লৈয়েই একোটা আন্দোলন সৃষ্টি হোৱা নাছিল। নতুন সামাজিক আন্দোলনৰ সৃষ্টিত পৰিচয়জ্ঞাপক ৰাজনীতি, সাংস্কৃতিক উদ্বেগ আৰু উচ্চাকাংক্ষাবোৰ হৈছে আৱশ্যকীয় উপাদান। এই আন্দোলনবোৰ সংঘটিত হোৱা অৱস্থাত কোনো ধৰণৰ শ্ৰেণীভিত্তিক অসমতা বিচাৰি পোৱা নাযায়। অৰ্থাৎ এনে আন্দোলনত বিভিন্ন শ্ৰেণীৰ লোক জড়িত হৈ পৰে। উদাহৰণ স্বৰূপে- একোটা নাৰী আন্দোলনে নগৰীয়া, মধ্যবিত্ত শ্ৰেণীৰ নাৰীবাদীসকলৰ লগতে দৰিদ্ৰ কৃষিজীৱী মহিলাকো সাঙুৰি লয়। আকৌ পৃথক ৰাজ্যৰ বাবে দেশৰ কোনো প্ৰান্তত বা অঞ্চলত গঢ়ি উঠা আন্দোলনত বিভিন্ন শ্ৰেণীৰ লোক যুক্ত হৈ থাকে। এনে ধৰণৰ আন্দোলনত " একে জাতীয় শ্ৰেণীৰ পৰিচয়" (homogeneous class identity) নাথাকে। এটা সামাজিক আন্দোলনত সামাজিক বৈষম্য (social inequality) এক কাৰক হিচাপে থকাৰ লগতে অন্য কিছুমান বিষয়বস্তুও জড়িত হৈ থাকে।

পিছৰ পৰ্যায়ত চিপ্‌কো আন্দোলনৰ বিষয়ে আলোচনা কৰোতে এই কথা অধিক পৰিষ্কাৰভাৱে জানিব পাৰিবা।

## ৮.৪ পাৰিপাৰ্শ্বিক আন্দোলন (Ecological Movements)

বৰ্তমান সময়ত আটাইতকৈ বেছি গুৰুত্ব দি অহা বিষয়টি হ'ল উন্নয়ন। কিন্তু দেখা গৈছে যে দেশৰ উন্নয়নৰ বাবে যি উন্নয়ন আৰ্হি লোৱা হৈছে, সেই উন্নয়ন আৰ্হিৰ লগত প্ৰাকৃতিক সম্পদসমূহক ব্যৱহাৰৰ এক সম্পৰ্ক গঢ়ি উঠিছে। অৰ্থাৎ এক কথাত ক'বলৈ গ'লে প্ৰাকৃতিক সম্পদসমূহক অত্যাধিক ভাৱে ব্যৱহাৰ কৰি দেশত উন্নয়ন বিচৰা হৈছে। যাৰ বাবে বহু প্ৰাকৃতিক সম্পদ ধ্বংসৰ দিশলৈ আগবঢ়ি পৰিবেশ অৱনতিৰ সৃষ্টি কৰিছে। আনহাতে উন্নয়নৰ এই আৰ্হিয়ে কেৱল পৰিবেশতে প্ৰভাৱ পেলোৱা নাই, সামাজিক দিশতো বিৰূপ প্ৰভাৱ পৰিছে, যাৰ বাবে উন্নয়নৰ আৰ্হিক সমালোচনা কৰি অহা হৈছে। উদাহৰণ স্বৰূপে যেতিয়াই বৃহৎ নদী বান্ধ দি শক্তি উৎপন্ন কৰিব বিচৰা হৈছে, অথবা মথাউৰি নিৰ্মাণ কৰি নদী কাষৰীয়া মানুহক বানপানীৰ পৰা ৰক্ষা কৰিব বিচৰা হৈছে, তেতিয়াই আকৌ সেই ঠাইবোৰৰ পৰা মানুহ স্থানান্তৰ হ'ব লগীয়া হৈছে। লগতে বহুলোকে জীৱন নিৰ্বাহৰ পথো সলনি কৰিবলগীয়া হৈছে। আনহাতে বহু উদ্যোগ নিৰ্মাণ কৰাৰ ফলত সেই ঠাইবোৰত খেতি কৰি থকা কৃষক পৰিয়ালবোৰে সেই ঠাইৰ পৰা স্থানান্তৰ হ'বলগীয়া হৈ জীৱন নিৰ্বাহৰ পথো হেৰুৱাব লগীয়াত পৰে। আনহাতে এই উদ্যোগবোৰে সৃষ্টি কৰা বিশেষ প্ৰদূষণেও আন এক সমস্যাৰ সৃষ্টি কৰি আহিছে। এই খিনিতে আমি এটা কথা উল্লেখ কৰিব লাগিব যে- দেশৰ বহু ঠাইত প্ৰাকৃতিক সম্পদক সমাজৰ উন্নয়নৰ নামত অপৰিকল্পিত আৰু যধে মধে ব্যৱহাৰ কৰাৰ ফলত পৰিবেশ আৰু সমাজ জীৱনত প্ৰভাৱ পৰি আহিছে, তাৰ বাবে ঠায়ে ঠায়ে সময়ে সময়ে কিছুমান আন্দোলনৰ সৃষ্টি হৈছে।



চিপকো আন্দোলনৰ আন্দোলনকাৰী সকল ১৯৮৬ চনৰ 'বিশ্ব পৰিবেশ দিৱস'ৰ দিনা চাক্লানা নামৰ ঠাইত একেলগে গোট খোৱাৰ দৃশ্য।

**ক্ৰিয়া কলাপ ৮.৬**

তোমালোকৰ অঞ্চলৰ পৰিবেশ প্ৰদূষণৰ কেইটামান উদাহৰণ গোটোৱা আৰু এই বিষয়ত আলোচনা কৰা। বিচাৰি পোৱা তথ্যৰ আধাৰত এখন প্ৰাচীৰপত্ৰ প্ৰদৰ্শনীৰো আয়োজন কৰিব পাৰা।

যিবোৰক পাৰিপাৰ্শ্বিক আন্দোলন বোলা হয়। এই আন্দোলনবোৰৰ লক্ষ্য হ'ল- পৰিবেশত সৃষ্টি হোৱা বিভিন্ন সমস্যা ৰোধ কৰা। এতিয়া আমি এনে এটি পাৰিপাৰ্শ্বিক আন্দোলনৰ বিষয়ে আলোচনা কৰোঁ। ভাৰতবৰ্ষত এতিয়ালৈকে সৃষ্টি হোৱা পাৰিপাৰ্শ্বিক আন্দোলনবোৰৰ ভিতৰত চিপ্‌কো আন্দোলন হ'ল এক উপযুক্ত উদাহৰণ, যিটো হিমালয় পৰ্বতৰ পাদদেশত বা নামনিত হৈছিল। প্ৰখ্যাত ভাৰতীয় সমাজ বিজ্ঞানী ৰামচন্দ্ৰ গুহই তেওঁৰ "Unquiet Woods" নামৰ গ্ৰন্থত প্ৰকাশ কৰা মতে হিমালয়ৰ পাদদেশৰ গ্ৰাম্য অঞ্চলত বসবাস কৰা লোকে হিমালয়ৰ সেই নামনিত থকা মূল্যবান অ'ক্ আৰু ৰ'দ'ড্ৰেণড্ৰ'ন নামৰ গছ দুবিধক ৰক্ষা কৰিবৰ বাবে আন্দোলন আৰম্ভ কৰিব লগীয়া হৈছিল। কিয়নো সেই অ'ক্ আৰু ৰ'দ'ড্ৰেণড্ৰ'ন গছেৰে পৰিপূৰ্ণ অৰণ্যৰ পৰাই এই গ্ৰাম্য লোকসকলে খৰি, জীৱ-জন্তুৰ বাবে প্ৰয়োজনীয় ঘাঁহ আৰু অন্যান্য কিছুমান প্ৰয়োজনীয় বস্তু আহৰণ কৰিছিল। যেতিয়া বনবিভাগৰ চৰকাৰী ঠিকাদাৰসকল গছবোৰ কাটিবলৈ আহিছিল তেতিয়া বহুসংখ্যাক মহিলাকে ধৰি গাঁৱৰ ৰাইজ আগবাঢ়ি আহি গছবোৰ ৰক্ষা কৰিবলৈ গছ সাবটি ধৰিছিল। কিন্তু চৰকাৰী নিৰ্দেশত ক্ৰমশঃ অৰণ্যানী মুকলি হ'বলৈ ধৰিলে যাৰ বাবে গ্ৰাম্য অঞ্চলৰ ৰাইজৰ প্ৰয়োজনীয় সামগ্ৰীবোৰৰ অভাৱ ঘটি এই মানুহবোৰৰ জীৱন বিপন্ন হৈ পৰা কথাত এই গ্ৰাম্য অঞ্চলৰ ৰাইজ বিক্ষুব্ধ হৈ পৰিল। অৰ্থাৎ চৰকাৰ আৰু ৰাইজৰ মাজত এক সংঘাতৰ সৃষ্টি হ'ল। এই সংঘাতৰ মূল কাৰণ হ'ল এফালে কাঠ বেচি চৰকাৰৰ ৰাজহ সংগ্ৰহ ব্যৱস্থা আৰু আনফালে ৰাইজৰ জীৱন নিৰ্বাহৰ সমস্যা। আন কথাত কিছুমান লোকৰ জীৱনধাৰণৰ বাবে প্ৰয়োজনীয় অৰ্থনীতি বা অস্তিত্ব ৰক্ষাৰ অৰ্থনীতিৰ বিৰুদ্ধে মুনাফা আহৰণৰ অৰ্থনীতিক অৱতীৰ্ণ কৰোৱা হ'ল। এই সামাজিক অসমতা (যিটো গ্ৰাম্য অঞ্চলৰ ৰাইজ আৰু পুঁজিবাদী আৰু বাণিজ্যিক চিন্তাৰে পৰিপুষ্ট চৰকাৰ) ৰ বিপক্ষে মাত মতাৰ লগতে চিপ্‌কো আন্দোলনত পৰিবেশৰ অস্তিত্ব ৰক্ষাৰ বিষয়টিও গভীৰভাৱে জড়িত হৈ আছিল। বৃহৎ এলেকা জুৰি গছ-গছনি কাটি পেলোৱাৰ ফলত সেই ঠাইবোৰৰ ভূ-পৃষ্ঠ কোমল হৈ পৰি বিস্তীৰ্ণ এলেকাত ভূমিস্খলন হৈছিল আৰু তাৰ ফলত সেই



**হিমাচল প্ৰদেশৰ জুনাগড়ৰ মহিলাসকলৰ মাজত নিৰ্বনানীকৰণ বিষয় আলোচনা।**

ভূমি মাটি গৈ কাষৰীয়া নৈত পৰাত নৈবোৰ ক্ৰমে বাম হৈ বানপানীৰ সৃষ্টি কৰিছিল। সেয়ে গছ-গছনি অবাধে কাটি পেলোৱা কাৰ্যই পৰিবেশৰ অৱনতি ঘটাইছিল। সেয়ে ক'ব পাৰি যে সেই গ্ৰাম্য অঞ্চলৰ লোকসকলৰ বাবে দুয়োটা সমস্যা সম্পৰ্কযুক্ত হৈ আছিল। যিহেতু অৰণ্যানি বা গছ-গছনি বাচি থাকিলেহে সেই লোকসকলৰ জীৱনো থাকিব, সেয়ে তেওঁলোকে এই গছ-গছনিবোৰ মহা মূল্যবান সম্পদ হিচাপে গণ্য কৰি সেইবোৰ ৰক্ষা কৰিবৰ বাবে যত্ন কৰিছিল যাতে গছ-গছনিবোৰৰ যোগে তেওঁলোক উপকৃত হ'ব পাৰে। তেওঁলোকৰ এই আন্দোলনটোৰ লগত আৰু এটা কাৰকো জড়িত হৈ আছিল। সেয়া হ'ল- সেই অঞ্চলৰ লোকৰ বিভিন্ন সমস্যা ৰোধৰ বাবে সেই অঞ্চলক সামৰি লোৱা চৰকাৰী প্ৰশাসনীয় কেন্দ্ৰই (যি তেওঁলোকৰ পৰা দূৰৈত অৱস্থিত) বিশেষ ব্যৱস্থা গ্ৰহণ কৰা নাছিল। সেয়ে কোৱা হয় যে অৰ্থনৈতিক, পৰিবেশীয় আৰু ৰাজনৈতিক তিনিওটা কাৰকেই চিপ্‌কো আন্দোলনৰ লগত জড়িত আছিল।

**বন্ধনী ৮.৫**

**চিপ্‌কো আন্দোলন [Chipko Movement]**

১৯৭০ চনত হোৱা এক অভূতপৰ্ব বৰষুণৰ ফলত স্মৃতিৰ পটত থাকিব পৰাকৈ এক বানপানীৰ সৃষ্টি হৈছিল, যাৰ ফলত সমগ্ৰ অলকানন্দা উপত্যকাৰ প্ৰায় ১০০ বৰ্গ কিলোমিটাৰ ভূমি বানত ডুবি গৈছিল। ইয়াৰ লগতে ১০ কিলোমিটাৰ গাড়ী চলা পথ, ৬ খন লোৰ দলং, ২৪ খন বাছ আৰু অন্যান্য বহু সৰু সুৰা গাড়ী উটুৱাই নিয়াৰ লগতে ৩৬৬ টা ঘৰ আৰু ৫০০ একৰ মাটিৰ শস্য ধ্বংস হৈছিল। মানুহ আৰু জীৱ-জন্তুও মৃত্যু মুখত পৰিছিল। ....১৯৭০ চনৰ এই বানপানী এই অঞ্চলৰ পৰিবেশৰ ইতিহাসত এক নিৰ্ণায়ক মুহূৰ্ত হৈ ৰ'ল। কিয়নো এই সময়ৰ পৰাই সেই গ্ৰাম্য লোকসকলে ইমান দিনে হৈ অহা নিৰ্বনানীকৰণ (deforestation), ভূমিস্খলন আৰু বানপানীৰ মাজত যি সম্পৰ্ক তাক বুজিবলৈ সক্ষম হ'ল। সেই সময়ত অৰণ্য অঞ্চলৰ ঠিক নামনিতে অৱস্থিত গাঁওবোৰত ভূমিস্খলনৰ মাত্ৰা অধিক নাছিল। কিন্তু যিবোৰ অঞ্চলত বেছি পৰিমাণে গছ-গছনি কাটি পেলোৱা হৈছিল সেইবোৰ অঞ্চলৰ ঠিক নামনিতে অৱস্থিত গাওঁবোৰত ভূমিস্খলনৰ মাত্ৰা অধিক আছিল। সেই অঞ্চলৰ ঠিক নামনিতে এই গ্ৰাম্য লোকসকলৰ এই সমস্যাক চামলি জিলাক কেন্দ্ৰ কৰি গঢ়ি উঠা সংগঠন 'দসাউলী গ্ৰাম স্বৰাজ সংঘ' (DGSS) নামৰ এক সংঘই গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছিল। .... তেওঁলোকে প্ৰথমে চৰকাৰক এই অৰণ্যানি ধ্বংসৰ কথাত ঘোৰ আপত্তি কৰিছিল।

কিন্তু এই আপত্তি স্বত্বেও চৰকাৰে নবেম্বৰ মাহত বহু অৰণ্য অঞ্চল নিলামত বিক্ৰী কৰিছিল। এইবোৰৰ ভিতৰত ৰেনি বনাঞ্চল অন্যতম আছিল.....।

.... এসময়ত ঠিকাদাৰে গছ-গছনি কাটিবৰ বাবে নিয়োগ কৰা কৰ্মীসকল জ'চিমথৰ পৰা ৰেনিলৈ বাছেৰে আহিছিল আৰু ৰেনি পোৱাৰ আগতেই বাছ ৰখাই তাৰ পৰা গাঁৱৰ দাঁতিয়েদি অৰণ্যলৈ যাত্ৰা কৰিছিল। লাহে লাহে ৰেনিৰ এজনী সৰু ছোৱালীয়ে চোৰাংচোৱাগিৰি কৰি এই লোকসকল ৰেনি অহাৰ বতৰা নিশ্চিত কৰে আৰু এই বতৰা তাই অঞ্চলটোৰ এক মহিলা সংঘ " মহিলা মণ্ডল"ৰ মূখ্য কৰ্মী গৌৰ দেৱীক জনায়। গৌৰ দেৱীয়েও তৎক্ষণাত সমগ্ৰ মহিলাক গোট খুৱাই অৰণ্য অঞ্চললৈ যায় আৰু গছ কাটিবলৈ অহা লোকসকলক গছ নাকাটিবলৈ আহ্বান জনায়। পিছে প্ৰথম অৱস্থাত এই লোকসকলে মহিলা সকলক তিৰস্কাৰ কৰাৰ লগতে ভয় খুৱাব বিচাৰিছিল। কিন্তু মহিলাসকলে যেতিয়া এই লোকসকলৰ তিৰস্কাৰ আৰু ভীতি প্ৰদৰ্শনলৈ ভ্ৰুক্ষেপ নকৰি গছ কটাৰ বিৰুদ্ধে থিয় দিলে, অৱশেষত তেওঁলোকে গছ কটা বন্ধ কৰি সেই ঠাই পৰিত্যাগ কৰিছিল।

**বন্ধনী ৮.৫ অনুশীলনী**

➢ এই সামাজিক আন্দোলনটোৱে শ্ৰেণী ভিত্তিক অসমতা আৰু সম্পদ বিতৰণৰ পুৰণি বিতৰ্কবোৰকে দাঙি ধৰিছে নেকি?

➢ অথবা এই আন্দোলনটোৱে পৰিবেশৰ অস্তিত্ব ৰক্ষা আৰু মানুহৰ সাংস্কৃতিক অধিকাৰ উত্থাপন কৰিছে নেকি?

**বন্ধনী ৮.৬**

বৰ্তমান সময়ছোৱাত বিভিন্ন মাধ্যমৰ যোগেদি মানুহে যিকোনো তথ্য জানিব পাৰে। তথ্য জনাৰ এই সময়ছোৱাত সামাজিক আন্দোলনবোৰেও সোনকালেই ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ গতি লাভ কৰিব পাৰে। অৰ্থাৎ কোনো এঠাইত সামাজিক আন্দোলন হ'লে সেই আন্দোলনৰ সম্পৰ্কে ৰাষ্ট্ৰৰ বা বিভিন্ন ৰাষ্ট্ৰৰ মানুহে বিভিন্ন মাধ্যমৰ যোগে জানিব পাৰে। এই লোক সকল হ'ব পাৰে বেচৰকাৰী সংগঠনৰ লোক, ধৰ্মীয় আৰু মানৱ দৰদী সমূহৰ সদস্য, মানৱ

অধিকাৰ সংগঠন কৰ্মী, গ্ৰাহক সুৰক্ষাৰ প্ৰতি মাত মতা লোক, পৰিবেশ কৰ্মী বা জনসাধাৰণৰ স্বাৰ্থৰ হকে মাত মাতি অহা ব্যক্তিসকল ইত্যাদি।......এনে এটি NET-WORK যি মূলত ইন্টাৰনেটৰ যোগেদি সৃষ্টি হৈছিল তাৰ যোগেদিয়েই বিশ্বৰ বহু জনগণে চিটিল্‌ত অনুষ্ঠিত বিশ্ব বাণিজ্য সংস্থা (World Trade Organisation )ৰ বিৰুদ্ধে বিপুল প্ৰতিবাদ কৰিবলৈ সক্ষম হৈছিল।

**বন্ধনী ৮.৬ৰ অনুশীলনী**

ওপৰৰ ৮.৬ নং বন্ধনীত দিয়া কথাখিনি পঢ়া আৰু ইয়াৰ পাছত সামাজিক আন্দোলনৰ কেনেকৈ গোলকীকৰণ হয় সেই বিষয়ে আলোচনা কৰা। এই ক্ষেত্ৰত আধুনিক প্ৰযুক্তি বিদ্যাই কি দৰে সহায় কৰিছে বিচাৰ কৰা। সামাজিক আন্দোলনে গ্ৰহণ কৰিব পৰা ভূমিকাক ই কেনেদৰে সলনি কৰে?

## ৮.৫ শ্ৰেণী ভিত্তিক আন্দোলন (Class based Movements)

### কৃষক আন্দোলন (Peasant Movements)

ভাৰতবৰ্ষত সময়ে সময়ে সূত্ৰপাত হোৱা সামাজিক আন্দোলনবোৰৰ ভিতৰত কৃষক আন্দোলনবোৰো অন্যতম, যিবোৰ প্ৰায় প্ৰাক-ঔপনিবেশিক বা বৃটিছ প্ৰশাসনৰ কিছু আগৰ পৰাই আমাৰ দেশত আৰম্ভ হৈছিল। ইয়াৰ ভিতৰত দেখা গৈছিল যে, ১৮৫৮ চনৰ পৰা ১৯১৪ চন মানৰ ভিতৰত যিবোৰ কৃষক আন্দোলন হৈছিল, এই প্ৰায়বোৰেই নিৰ্দ্দিষ্ট পৰিধিৰ মাজত হোৱাৰ লগতে কিছুমান নিৰ্দ্দিষ্ট অভিযোগৰ ওপৰত কেন্দ্ৰ কৰি সূত্ৰপাত হৈছিল। এইবোৰৰ ভিতৰত এটি উল্লেখনীয় কৃষক আন্দোলন হ'ল- ১৮৫৯ চনৰ পৰা ১৯৬২ চনৰ ভিতৰত বংগত 'নীল' (Indigo) কৃষি কাৰ্যৰ বিপক্ষে হোৱা "Bengal Revolt" বা "বংগ বিপ্লৱ" আৰু টকা সুতলৈ দিয়া মহাজন সকলৰ বিপক্ষে ১৮৫৭ চনত হোৱা 'Deccan Riots' বা "ডেক্কান বিদ্ৰোহ"। পৰৱৰ্তী সময়ছোৱাত কৃষক সকলৰ বহু সমস্যা বা বিষয়ক কেন্দ্ৰ কৰি বিভিন্ন ঠাইত কৃষক আন্দোলনৰ সূত্ৰপাত হৈছিল আৰু দেখা গৈছিল যে শেষৰ ফালৰ বহু কৃষক আন্দোলনেই সেই সময়ত মহাত্মা

গান্ধীৰ নেতৃত্বত গঢ়ি উঠা স্বাধীনতা আন্দোলনৰ লগত আংশিকভাৱে সম্পৰ্কিত হৈছিল। উদাহৰণ স্বৰূপে ১৯২৮ চনত চুৰাটত সূত্ৰপাত হৈ পাছলৈ দেশ ব্যাপী এক অসহযোগ আন্দোলন "বৰদলি সত্যাগ্ৰহ" (Bordoli Satyagraha)। ই আছিল এক "কৰ মুক্ত" কৰাৰ অভিযান। অৰ্থাৎ মানুহে মাটিৰ খাজনা দিয়াত বিৰোধিতা কৰি আন্দোলন কৰিছিল। এনে ধৰণৰ আৰু এক দেশ ব্যাপী হোৱা কৃষক আন্দোলন হ'ল- নীল খেতিৰ বিপক্ষে ১৯১৭ চনৰ পৰা ১৯১৮ চনৰ ভিতৰত হোৱা "চম্পৰান সত্যাগ্ৰহ" (Champaran Satyagraha)। ইয়াৰোপৰি ১৯২০ৰ দশকত প্ৰশাসনে ইতিমধ্যে বলবৎ কৰা 'বননীতি' (Forest Policy) বোৰৰ বিপক্ষেও দেশৰ বিভিন্ন ঠাইত প্ৰতিবাদী আন্দোলন গঢ়ি উঠিছিল। এইবোৰৰ বিষয়ে ইতিমধ্যে প্ৰথম অধ্যায়ত আমি যি আলোচনা কৰি আহিছো সেয়া তোমালোকে মনত পেলোৱা।

ঠিক ১৯২০ চনৰ পৰা ১৯৪০ চনৰ ভিতৰত দেশত কিছু সংখ্যক কৃষক সংগঠনে মূৰ দাঙি উঠিছিল। এইবোৰৰ ভিতৰত প্ৰথমে 'বিহাৰ প্ৰভিন্সিয়েল কিষান সভা' (Bihar Provincial Kishan Sabha) ১৯২৯ চনত গঠিত হৈছিল। ইয়াৰ পাছত ১৯৩৬ চনত গঠিত হৈছিল "অল ইণ্ডিয়া কিষাণ সভা" (All India Kishan Sabha)। এই সংগঠনবোৰৰ দ্বাৰা সংগঠিত হোৱা কৃষক সকলৰ মূল দাবী আছিল কৃষক, শ্ৰমিক বা অন্যান্য শোষিত নিষ্পেষিত জনসাধাৰণক অৰ্থনৈতিক শোষণৰ পৰা মুক্ত কৰা। দেশে ঠিক স্বাধীনতা লাভ কৰাৰ সময়ত আৰু দুটা উল্লেখনীয় কৃষক আন্দোলনে গা কৰি উঠিছিল। এই দুটা হ'ল ১৯৪৬-৪৭ চনত হোৱা টেভাগা আন্দোলন (Tebhaga Movement) আৰু ১৯৪৬ চনৰ পৰা ১৯৫১ চনৰ ভিতৰত হোৱা টেলেংগানা আন্দোলন। বংগ আৰু উত্তৰ বিহাৰত আধিয়াৰ খেতিয়কসকলে গতানুগতিকভাৱে পাই অহা মুঠ উৎপাদনৰ আধা

**ক্ৰিয়াকলাপ ৮.৭**

ভাৰতবৰ্ষত হোৱা নক্সাল আন্দোলনৰ বিষয়ে অধিক জানিবলৈ চেষ্টা কৰা।

- ➢ আন্দোলনটোৰ আৰম্ভণিৰ সময়ছোৱা।
- ➢ আন্দোলনটো চলি থকা সময়ত।
- ➢ আন্দোলনটোৱে সাঙুৰি লোৱা বিষয়বস্তু।
- ➢ প্ৰতিবাদ কৰাৰ পদ্ধতি।

আলোচনা কৰা লগতে চতুৰ্থ অধ্যায়টি অধ্যয়ন কৰি এই আন্দোলনটিৰ লগত জড়িত সামাজিক কাৰকবোৰ চিহ্নিত কৰা।

অংশৰ বিপৰীতে তিনিভাগৰ দুই অংশ বিচাৰি টেভাগা আন্দোলনত নামিছিল। এই আন্দোলনটোৱে গতি লাভ কৰাৰ ক্ষেত্ৰত ‘ কিষাণ সভা’ (Kishan Sabha) নামৰ সংগঠন আৰু ভাৰতীয় কম্পিউনিষ্ট পাৰ্টি (Communist Party of India বা চমুকৈ CPI) ৰ পৰা পূৰ্ণ সমৰ্থন লাভ কৰিছিল। আনহাতে হায়দৰাবাদৰ ৰজাৰ শাসনত থকা সৰু সৰু ৰাজ্যবোৰত ভূমিৰ ক্ষেত্ৰত যি নীতি নিয়ম বলৱৎ আছিল তাৰ বিপক্ষে টেলেংগানা আন্দোলন আৰম্ভ হৈছিল। এই আন্দোলনেও ভাৰতীয় কমিউনিষ্ট পাৰ্টি (CPI) ৰ পৰা সমৰ্থন লাভ কৰি আগবাঢ়ি গৈছিল।

যিবোৰ নিৰ্দ্দিষ্ট বিষয় বা সমস্যাই সমগ্ৰ ঔপনিবেশিক কালছোৱাত দেশক দমন কৰি ৰাখিছিল, সেইবোৰলৈ দেশ স্বাধীনতাৰ পাছত বহু পৰিবৰ্তন আহি পৰিছিল। ঔপনিবেশিক কালত থকা ভূমিক কেন্দ্ৰ কৰি গঢ়ি উঠিছিল জমিদাৰী প্ৰথা, ভূমিৰ ওপৰত অত্যাধিক ৰাজহৰ ব্যৱস্থা ইত্যাদি। কিন্তু দেশে স্বাধীনতা লাভ কৰাৰ পাছত ভূমিৰ ওপৰত থকা নীতি নিয়মৰ বহু খিনি পৰিবৰ্তন হ’ল (যাক ভূমি সংস্কাৰ বোলা হয়), লুপ্ত হ’ল জমিদাৰী ব্যৱস্থা। লগতে ভূমিৰ ওপৰত থকা ৰাজহ ব্যৱস্থাৰ গুৰুত্বতা কমি অহা, ৰাষ্ট্ৰ ঋণৰ ব্যৱস্থা আদিয়ে গ্ৰাম্যাঞ্চললৈ পৰিবৰ্তনৰ আনিছিল। দেশে স্বাধীনতা লাভ কৰাৰ পাছত দুটা প্ৰধান সামাজিক আন্দোলন মূৰ দাঙি উঠিছিল। এটা আছিল বংগৰ নক্সালবাৰীত ১৯৬৭ চনত আৰম্ভ হোৱা নক্সাল সংগ্ৰাম (Naxalite movement) আৰু আনটো আছিল নব্য কৃষক আন্দোলন (New farmer's movement)। কৃষকসকলৰ মূখ্য সমস্যাটো আছিল ভূমি। গ্ৰাম্য ভাৰতৰ ভূমি-বিষয়ক সংৰচনাৰ স্পষ্ট বিভাজনৰ বিষয়ে চতুৰ্থ অধ্যায়ত সন্নিবিষ্ট কথাখিনিৰপৰা তোমালোকৰ এক স্পষ্ট ধাৰণা আছে।

**বন্ধনী ৮.৭**

... শিলিগুৰি মহকুমাৰ কৃষক সন্মিলন এক বৃহৎ সাফল্যৰূপে পৰিগণিত হৈছিল। উগ্ৰপন্থী আন্দোলনে দৃঢ় আৰু সাহসী কৰি তোলা কৃষকসকলৰ মনত আশাৰ সঞ্চাৰ হৈছিল। জমিদাৰৰ মাটিত ৰ’দে-বৰষুণে কৃষি কৰ্ম কৰাৰ কঠোৰ পৰিশ্ৰমী জীৱনৰ গতানুগতিকতাত সন্ত্ৰস্ত আৰু মলিন হৈ পৰা তেওঁলোকৰ মুখবোৰ আশা আৰু বোধশক্তিৰে উজ্জ্বল হৈ উঠিছিল। কানু সন্যালে দাবী কৰা মতে ১৯৬৭ চনৰ মাৰ্চ মাহৰপৰা এপ্ৰিললৈকে সমগ্ৰ গাঁওবাসী সংগঠিত

হৈছিল। ১৫,০০০ ৰ পৰা ২০,০০০ খেতিয়ক পুৰ্ণকালীন সক্ৰিয় কৰ্মী হিচাপে সদস্যভূক্ত হৈছিল। প্ৰত্যেক গাঁৱতে কৃষক সমিতি গঠন কৰি তেওঁলোকে মাটি দখল কৰিছিল, তেওঁলোকক প্ৰাপ্যৰ পৰা বঞ্চিত কৰা ভুৱা ভূমি-সংক্ৰান্তীয় নথিপত্ৰবোৰ জ্বলাই দিছিল। কল্পনাপ্ৰসূত সকলো ঋণ বাতিল কৰিছিল, জমিদাৰসকলৰ বন্দুক কাঢ়ি আনি সশস্ত্ৰ বাহিনী গঠন কৰিছিল আৰু ধনু-কাঁড়, যাঠিৰ লেখীয়া পৰম্পৰাগত অস্ত্ৰেৰে সজ্জিত হৈ চৰকাৰী শাসনৰ সমান্তৰালকৈ নিজস্ব শাসন প্ৰতিষ্ঠা কৰি গাঁওবোৰ চোৰা-চিতা কৰিছিল।

(Source: Sumanata Banerjee "Naxalbari and the Left Movement" in ed. Ghanashyam Shah Social Movements and the State (Sage, Delhi 2002) pp. 125-192)

**বন্ধনী ৮.৮**

১৯৬৮ চনৰ ২৪ নৱেম্বৰৰ দিনা বোদ্দাপাদুৰ ওচৰৰ ভৈয়াম অঞ্চলৰ গাৰুদাভাদ্ৰা নামৰ ঠাইত এজন ধনী জমিদাৰৰ খেতিৰ মাটিত থকা শস্যবোৰ বলপূৰ্বকভাৱে কাটি নিয়া কাৰ্যই গেৰিলা আন্দোলনৰ বাৰ্তা বহন কৰিছিল। ইয়াৰ পিছদিনা পাহাৰীয়া অঞ্চলত আৰু এক উল্লেখনীয় ঘটনা সংঘটিত হ'ল। সেইদিনা বিভিন্ন গাঁৱৰ প্ৰায় ২৫০ জন গিৰিজনলোকে যাঠি-জোং তথা ধনু-কাঁড়েৰে সজ্জিত হৈ পাৰ্বতিপুৰম এজেন্সি অঞ্চলৰ পেড়াগট্টিলি গাঁৱৰ এজন ভূ-স্বামী তথা টকা ধাৰলৈ দিয়া মহাজনৰ ঘৰ আক্ৰমণ কৰিছিল। তাৰপাছত তেওঁৰ ঘৰত মজুত কৰি ৰখা ধান, চাউল আৰু অন্যান্য খাদ্য শস্যৰ লগতে প্ৰায় বিশ হাজাৰ টকা মূল্যৰ সম্পত্তি হস্তগত কৰিছিল। ইয়াৰোপৰি ভু-স্বামীৰ ঘৰত থকা বহু নথিপত্ৰও জব্দ কৰিছিল।

**বন্ধনী ৮.৭ আৰু ৮.৮ ৰ অনুশীলনী**

বন্ধনী ৮.৭ আৰু বন্ধনী ৮.৮ মনোযোগেৰে পঢ়া আৰু বিতৰ্কিত বিষয়বোৰৰ লগতে ৰণ-কৌশলবোৰ চিনাক্ত কৰা।

বৰ্ত্তমান সময়তো ভাৰতৰ বিভিন্ন ঠাইত ভূমি-বিষয়ক নানা সমস্যা আছে। এই সমস্যাবোৰৰ বিষয়ে চতুৰ্থ অধ্যায়ত বিতং আলোচনা কৰি অহা হৈছে। দেখা গৈছে যে ঠায়ে ঠায়ে এতিয়াও নক্সাল আন্দোলন এক শক্তিৰূপে থিয় দি আছে।

নব্য-কৃষক আন্দোলন ১৯৭০ ৰ দশকত পাঞ্জাৱ আৰু তামিলনাডুত আৰম্ভ হৈছিল। এই আন্দোলনবোৰ আঞ্চলিকভাৱে সংগঠিত আছিল। অৱশ্যে এই আন্দোলনৰ সৈতে কোনো ধৰণৰ দলৰ সম্পৰ্ক নাছিল। সাধাৰণ কৃষকতকৈ বজাৰৰ সৈতে জড়িত কৃষকসকলেহে এই আন্দোলন কৰিছিল। অৰ্থাৎ এই শ্ৰেণীৰ কৃষকে বজাৰত বিক্ৰীৰ উদ্দেশ্যেৰে কৃষি শস্য উৎপাদন কৰে। আন্দোলনৰ মূল আদৰ্শ আছিল ৰাষ্ট্ৰ আৰু নগৰ অঞ্চলৰ বিপক্ষে অৱতীৰ্ণ হোৱা আৰু মূল দাবীবোৰ আছিল দাম আৰু ইয়াৰ সৈতে সম্পৰ্কীত কিছু বিষয় নিষ্পত্তি হোৱা। যেনে- মূল্য সংগ্ৰহ, লাভজনক দাম, কৃষি-কৰ্মৰ বাবে আৱশ্যকীয় সামগ্ৰী আৰু আহিলাৰ মূল্য, কৰৰোপণ, ঋণ পৰিশোধ নকৰা ইত্যাদি। আন্দোলনত অভিনৱ পন্থা ব্যৱহৃত হৈছিল। সেইবোৰ হ'ল- মূল পথ আৰু ৰেলপথ বন্ধ কৰা, ৰাজনীতিক আৰু আমোলাক গাঁৱত প্ৰৱেশ কৰিবলৈ নিদিয়া ইত্যাদি। কৃষক আন্দোলনে তেওঁলোকৰ কাৰ্যসূচী আৰু আদৰ্শৰ প্ৰসাৰণ ঘটাই পৰিবেশ জনিত আৰু নাৰীজনিত সমস্যাবোৰো অন্তৰ্ভুক্ত কৰি লোৱা বিষয়টোৱে বিতৰ্কৰ সৃষ্টি কৰিছে। সেয়েহে এই আন্দোলনক পৃথিৱী ব্যাপী চলা 'নতুন সামাজিক আন্দোলন' ৰ অংশ হিচাপে ল'ব পাৰি।

### শ্ৰমিক আন্দোলন (Workers' Movement)

১৮৬০ ৰ দশকৰ প্ৰথম ভাগত ভাৰতবৰ্ষত পোন প্ৰথমে কাৰখানাত উৎপাদন কৰা আৰম্ভ হৈছিল। এই খিনিতে তোমালোকে ঔপনিবেশিক সময়ত দেশত হোৱা উদ্যোগীকৰণ সম্পৰ্কত ইতিমধ্যে কৰা আলোচনা মনত পেলোৱা। একেবাৰে সাধাৰণ প্ৰক্ৰিয়া অনুসৰি বৃটিছ সকলে ভাৰতৰ পৰা কেঁচা সামগ্ৰী 'সংযুক্ত গণৰাজ্য' (UK) লৈ নি তাতে বিভিন্ন সামগ্ৰী তৈয়াৰ কৰি পুনশ্চ ঃ ভাৰতৰ দৰে ঔপনিবেশত বিক্ৰী কৰিছিল। পিছে তেওঁলোকে লাহে লাহে ভাৰততেই কাৰখানা নিৰ্মাণ কৰি ইয়াতেই সামগ্ৰী উৎপাদন কৰাৰ আৰম্ভ কৰিলে। এই কাৰখানাবোৰ নিৰ্মাণ কৰিলে বন্দৰ নগৰী কলিকতা (কলকতা),

ব'ম্বে (মুম্বাই) আৰু মাদ্ৰাজ (চেন্নাই) ত। ইয়াৰ আগেয়ে ১৮৩৯ চন মানত বৃটিছে অসমত আৰম্ভ কৰিছিল চাহ খেতি।

ভাৰতবৰ্ষত ঔপনিবেশিকতা আৰম্ভ হোৱাৰ সময়ত শ্ৰমিকসকলক ঔপনিবেশিক চৰকাৰে একেবাৰে নূন্যতম মজুৰি দি কামত খটুৱাইছিল। শ্ৰমিকসকলৰ বাবে নাছিল কাম কৰা ভাল পৰিবেশ। এইখিনিতে তোমালোকে ঔপনিবেশিক চৰকাৰে কি পদ্ধতিৰে চাহ বাগানবোৰলৈ বনুৱা যোগান ধৰিছিল সেই কথা প্ৰথম অধ্যায়ত দিয়া বৰ্ণনাৰ পৰা মনত পেলোৱা।

যদিওৱা ভাৰতবৰ্ষত শ্ৰমিক সংঘ কিছু দেৰিকৈ সৃষ্টি হৈছিল, সেই শ্ৰমিক সংঘ সৃষ্টিৰ আগতেই বহু শ্ৰমিকে ঔপনিবেশিক আমোলৰ বহু কাৰখানাৰ মালিক পক্ষক তেওঁলোকৰ প্ৰাপ্য পোৱাৰ বাবে দাবী জনাইছিল। সেই সময়ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ বহু নেতাই শ্ৰমিকক ঔপনিবেশিক বিৰোধী আন্দোলনত অংশ গ্ৰহণৰ বাবে আহ্বান জনাইছিল আৰু তেওঁলোকেও অংশ গ্ৰহণ কৰিছিল। সেই সময়ত দেশত ক্ৰমশঃ উদ্যোগ স্থাপনৰ পৰিমাণ বাঢ়ি গৈছিল যদিও সেই উদ্যোগবোৰত কাম কৰা শ্ৰমিকসকল কিন্তু উপযুক্ত পাৰিশ্ৰমিক অবিহনে দুখীয়া হৈ ৰৈছিল। এহাতে খাদ্যৰ নাটনি ঘটিছিল আৰু অন্যহাতে খাদ্য দ্ৰব্যৰ মূল্যও বাঢ়ি গৈছিল। এইবোৰ সমস্যাৰ পৰিপেক্ষিতত শ্ৰমিকসকল উদ্যোগৰ মালিকসকলৰ বিৰুদ্ধ হৈ পৰিছিল যাৰ বাবে ঠায়ে ঠায়ে তেওঁলোকে ধৰ্মঘট আৰম্ভ কৰিছিল। এই ধৰ্মঘটবোৰৰ ভিতৰত উল্লেখনীয় হ'ল ব'ম্বেৰ টেক্সটাইল মিলত হোৱা ধৰ্মঘট। ১৯১৭ চনৰ ছেপ্তেম্বৰ আৰু অক্টোবৰত প্ৰায় ৩০ টা ধৰ্মঘটৰ সূত্ৰপাত হৈছিল। কলিকতাত অৱস্থিত মৰাপাট কলৰ শ্ৰমিকে কাম বন্ধ কৰি দিছিল। মাদ্ৰাজত অৱস্থিত বুচিংহাম (Buchingham) আৰু কাৰ্ণাটিক (Carnatic) মিলৰ শ্ৰমিকসকলে মজুৰি বঢ়াই দিবলৈ দাবী জনাইছিল। ঠিক তেনেদৰে আহমেদাবাদত থকা কাপোৰ মিলৰ শ্ৰমিকসকলেও তেওঁলোকক ইতিমধ্যে দি অহা মজুৰিৰ ৫০ শতাংশ বঢ়াই দিবলৈ দাবী জনাইছিল।


ভাৰতবৰ্ষত শ্ৰমিক সংঘ প্ৰথমে প্ৰতিষ্ঠা কৰিছিল "Theosophical Society" ৰ এজন সদস্য তথা সমাজ কৰ্মী বিঃ পিঃ ৱাদিআ (B.P. Wadia) ই, মাদ্ৰাজত ১৯১৮ চনৰ এপ্ৰিল মাহত। সেই একে বছৰতে মহাত্মা গান্ধীৰ নেতৃত্বত প্ৰতিষ্ঠা হৈছিল 'Tex-

tile Labour Association' (TLA)। ইয়াৰ পাছত ১৯২০ চনত বম্বেত প্ৰতিষ্ঠা হৈছিল 'All India Trade Union Congress' (AITUC)। উল্লেখযোগ্য যে, বিভিন্ন আদৰ্শেৰে পৰিপুষ্ট এক বহুল ভিত্তিক সংগঠন আছিল এই "All India Trade Union Congress" বা চমুকৈ (AITUC)। প্ৰধান আদৰ্শবাদী দলবোৰ আছিল S.A. Dange আৰু M.N. Roy ৰ নেতৃত্বত কমিউনিষ্ট, M. Joshiআৰু V.V. Giri ৰ নেতৃত্বত সাম্যবাদী আৰু জাতীয়তাবাদীৰ সৈতে জড়িত হৈছিল লালা লাজপট ৰায় আৰু জৱাহৰলাল নেহেৰুৰ লেখীয়া লোকসকলে।

'AITUC' গঠন কৰাৰ লগে লগে কিন্তু ঔপনিবেশিক চৰকাৰে শ্ৰমিক সকলৰ লগত লেন-দেন কৰোতে যথেষ্ট সাৰধানতা অৱলম্বন কৰিছিল। ইয়াৰ লগতে শ্ৰমিকৰ বিদ্ৰোহ ৰোধ কৰিবৰ বাবে ঔপনিবেশিক চৰকাৰে শ্ৰমিকসকললৈ বুলি কিছু পৰিমাণৰ আৰ্থিক ৰেহাই প্ৰদান কৰিলে। ইয়াৰ পাছৰ পৰ্যায়ত ১৯২২ চনত চৰকাৰে 'চতুৰ্থ কাৰখানা আইন' (Fourth Factory Act) মঞ্জুৰ কৰিছিল, যি আইনৰ যোগে শ্ৰমিকৰ দৈনিক কামৰ সময় ১০ ঘন্টালৈ কমাই দিয়া হৈছিল। ১৯২৬ চনত চৰকাৰে মঞ্জুৰ কৰে "শ্ৰমিক সংঘ আইন" (Trade Union Act), যাৰ যোগে শ্ৰমিক সংঘবোৰ পঞ্জীয়ন কৰিব পৰা হ'ল আৰু কিছুমান নীতি নিয়ম তৈয়াৰ কৰা হ'ল। ১৯২০ চনৰ মাজ ভাগত "All India Trade Union Congress" ৰ অধীনত প্ৰায় ২০০ মান সংঘ অন্তৰ্ভুক্ত হৈছিল য'ত মুঠ সদস্যৰ সংখ্যা প্ৰায় ২,৫০,০০০ হৈছিলগৈ।

বৃটিছ প্ৰশাসনৰ ঠিক শেষৰ কেইটামান বছৰত কমিউনিষ্ট নেতা সকলে AITUC ৰ ওপৰত যথেষ্ট পৰিমাণে নিয়ন্ত্ৰণ লাভ কৰে। অৰ্থাৎ এই শ্ৰমিক সংঘ পৰিচালনাৰ দায়িত্ব কমিউনিষ্টসকলৰ হাতলৈ গ'ল। ইয়াৰ পৰিণামত ভাৰতীয় জাতীয় কংগ্ৰেছে "Indian National Trade Union Congress" (INTUC) নামৰ এটি শ্ৰমিক সংঘ ১৯৪৭ চনৰ মে' মাহত গঠন কৰে। ১৯৪৭ চনত AITUC ত হোৱা বিভাজন শ্ৰমিক আন্দোলনক অন্যান্য ৰাজনৈতিক দল অনুসাৰে পুনৰ বিভাজনে হোৱা পথ ৰচনা কৰিছিল। সেয়ে লাহে লাহে শ্ৰমিক শ্ৰেণীৰ আন্দোলনবোৰ ৰাজনৈতিক দলবোৰৰ যোগে ৰাষ্ট্ৰীয় পৰ্যায়ত ভাগ ভাগ হৈ পৰিল। আনহাতে আঞ্চলিক ৰাজনৈতিক দলবোৰেও নিজা আদৰ্শৰে ১৯৬০ দশকৰ পিছৰফালে নিজাববীয়া শ্ৰমিক সংঘ প্ৰতিষ্ঠা কৰিবলৈ ধৰিলে।





১৯৮১-৮২ চনত বোম্বেৰ টেক্সটাইল মিলত সংঘটিত ধৰ্মঘট।

বিহাৰৰ আৰ'ৱালত ১৯৮৭ চনত মহিলা শ্ৰমিকৰ বিক্ষোভ প্ৰদৰ্শন।

১৯৬৬-৬৭ চনত দেশৰ অৰ্থনীতিত বজাৰৰ পূৰ্ণ মন্দা অৱস্থা আহি পৰিছিল। তাৰ ফলত উৎপাদন হ্ৰাস আৰু নিয়োগৰ সুবিধা হ্ৰাস পোৱাত এক স্বাভাৱিক বিশৃংখলতাৰ সৃষ্টি হৈছিল। ১৯৭৪ চনত ৰেল পথত কাম কৰা শ্ৰমিকসকলে ধৰ্মঘট

কৰিছিল। এই সময়ছোৱাতে চৰকাৰ আৰু শ্ৰমিক সংঘৰ মাজত থকা বিৰুদ্ধ মনোভাৱ আৰু প্ৰবল হৈ উঠিছিল। ইয়াৰ পাছত ১৯৭৫-৭৭ চনত দেশত থকা জৰুৰীকালীন (Emergency) সময়ছোৱাত চৰকাৰে শ্ৰমিক সংঘবোৰৰ সকলো কাম-কাজত বাধা আৰোপ কৰিলে। কিন্তু এই বাধা বেছি দিন নাথাকিল। লাহে লাহে শ্ৰমিক আন্দোলনবোৰ অসামৰিক অধিকাৰ লাভ কৰাৰ বৃহৎ পৰিসৰৰ আন্দোলনৰ এক অংশ হৈ পৰিল।

**ক্ৰিয়াকলাপ ৮.৮**

নিয়মিতভাৱে বাতৰিবোৰ অনুধাৱন কৰা আৰু শ্ৰমিক সংঘসমূহে গ্ৰহণ কৰা সমস্যাবোৰৰ তথ্য গোটোৱা।

এই বিষয়ত গোলকীকৰণৰ প্ৰসঙ্গত আলোচনা কৰা।

সাম্প্ৰতিক সময়ত দেখা গৈছে যে- গোলকীকৰণ প্ৰক্ৰিয়াই শ্ৰমিক সকলৰ পৰিবৰ্তনৰ ক্ষেত্ৰতো প্ৰভাৱ পেলাইছে। অন্য অৰ্থত গোলকীকৰণে তেওঁলোকৰ ওপৰতো প্ৰভাৱ পেলাইছে। আনহাতে দেখা গৈছে যে- এনে প্ৰক্ৰিয়াবোৰৰ পৰিপ্ৰেক্ষিতত শ্ৰমিক সংঘ সমূহৰ সন্মুখতো নতুন ধৰণৰ প্ৰত্যাহ্বান আহি পৰিছে। সেয়ে গোলকীকৰণ আৰু সমাজত ইয়াৰ প্ৰভাৱ সম্পৰ্কে বুজিবলৈ তোমালোকে পঞ্চম আৰু ষষ্ঠ অধ্যায় দুটি পুনৰ পঢ়ি চোৱা।

## ৮.৬ জাতি ভিত্তিক আন্দোলন (Caste Based Movements)

***দলিত সকলৰ আন্দোলন***

***The Dalit Movement***

*আত্ম সন্মান থকা অহা সূৰ্যটো অগ্নি শিখা হৈ জ্বলি উঠিছে-*
*জাতিবোৰক এনেকৈ জ্বলিবলৈ দিয়া!*
*ভাগি ছিগি চূৰ্ণ হৈ যাওঁক*
*ভিন্ন জাতিৰ মাজত থকা ঘৃণাৰ প্ৰাচীৰ।*
*মোহাৰি পেলোৱা এই কোটি কলীয়া অন্ধ চিন্তা,*
*জাগা, জাগা হে জনতা!*

দলিতসকলৰ সামাজিক আন্দোলনে এক বিশিষ্ট চৰিত্ৰ বহন কৰা দেখা যায়। অৰ্থনৈতিকশোষণ বা ৰাজনৈতিক দমন যদিও গুৰুত্বপূৰ্ণ, দলিত আন্দোলনক অকল এই দুটা প্ৰসঙ্গতেই সন্তোষজনকভাৱে ব্যাখ্যা কৰিব নোৱাৰি। এই সংগ্ৰাম হৈছে মানুহ হিচাপে স্বীকৃতি পোৱাৰ সংগ্ৰাম। আত্মবিশ্বাস আৰু স্ব-নিয়ন্ত্ৰণৰ সংগ্ৰাম। ই হ'ল দলিত সকলৰ ওপৰত থকা অস্পৃশ্যতাৰ যি কলংক বা দাগ সেই দাগ মোচন কৰি স্পৃশ্যলৈ পৰিবৰ্তন কৰাৰ সংগ্ৰাম। সেয়ে এই আন্দোলনক স্পৃশ্য হোৱাৰ সংগ্ৰাম বুলি কোৱা হয়।

দেশৰ বিভিন্ন ঠাইত ব্যৱহৃত 'দলিত' (Dalit) শব্দটো মূলতঃ মাৰাঠী, হিন্দী, গুজৰাটী ইত্যাদি কিছু ভাৰতীয় ভাষাত ব্যৱহৃত হৈ আহিছে আৰু এই শব্দই দৰিদ্ৰ আৰু নিষ্পেষিত লোক সকলক বুজায়। এই শব্দ প্ৰথমে ১৯৭০ চনৰ প্ৰথম ভাগত বাবা চাহেব আম্বেদকাৰৰ নীতি আদৰ্শৰ অনুগামী বৌদ্ধ ধৰ্মৰ লোক সকলে ব্যৱহাৰ কৰিছিল। এই 'দলিত' শব্দৰ যোগে এনে কিছুমান লোকক বুজাব বিচৰা হৈছিল যিসকল লোকৰ প্ৰতি তেওঁলোকতকৈ উচ্চ খাপৰ লোকসকলে ইচ্ছাকৃতভাৱে এক দমন মূলক আৰু অৱহেলাৰ দৃষ্টি গ্ৰহণ কৰিছে। দলিত শব্দটোৰ মাজেৰে প্ৰকৃতগতভাৱে অপবিত্ৰতা, কৰ্ম আৰু যুক্তিসঙ্গত জাতি বিন্যাসক অগ্ৰাহ্য কৰা হৈছে।



অতীততেই হওঁক বা বৰ্তমান সময়তেই হওঁক ভাৰতবৰ্ষত কেতিয়াও এটা বা একত্ৰ (Unified) দলিত আন্দোলন হোৱা নাই। বৰঞ্চ বিভিন্ন আদৰ্শেৰে পৰিপুষ্ট হৈ বা বিভিন্ন আদৰ্শেৰে অনুপ্ৰাণিত হৈ বিভিন্ন সময়ত দলিতসকলৰ বিভিন্ন সমস্যাক কেন্দ্ৰ

**ক্ৰিয়াকলাপ ৮.৯**

দলিতসকলৰ লিখনিবোৰ চোৱা আৰু এইবোৰৰ মাজত তোমাৰ পছন্দৰ এটি কবিতা বা গল্প নিৰ্বাচন কৰি আলোচনা কৰা।

কৰি বিভিন্ন আন্দোলন গঢ়ি উঠিছে। তথাপিও এটা কথা ঠিক যে তেওঁলোকৰ আন্দোলনবোৰৰ মাজত সদায় দলিত হিচাপে এটা সুকীয়া পৰিচয় দাঙি ধৰাৰ প্ৰয়াস অব্যাহত আছে। লগতে তেওঁলোকৰ আন্দোলনবোৰৰ মাজত প্ৰকৃতিগত ভাৱে যদিওৱা পাৰ্থক্য আছে, তথাপিও সকলো আন্দোলনৰে উমৈহতীয়া প্ৰত্যাশাবোৰ হ'ল সম

**বন্ধনী ৮.৯**

এগৰাকী অপৰিচিত কবিৰ তেওঁৰ মাহাৰ জাতিৰ সতীৰ্থ সকলৰ ওপৰত এক কবিতা (১৮৯০ চন) ঃ

তেওঁলোকৰ ঘৰবোৰ আছে গাঁও খনৰ বাহিৰত;
মহিলা সকলৰ চুলিত ওকণি;
নগ্ন প্ৰায় শিশুবোৰে খেলি থাকে জাবৰৰ দ'মত;
খায় গেলা-পচা মঙহ;
এক বিনয়ী প্ৰতিচ্ছবি থাকে এই অস্পৃশ্য সকলৰ মুখত;
তেওঁলোকৰ মাজত নাই জ্ঞান অৰ্জনৰ পথ;
তেওঁলোকে কেৱল জানে তেওঁলোকৰ গাঁৱত থকা দেৱী আৰু ভূতৰ নাম কিন্তু নাজানে ব্ৰহ্মাৰ নাম।

**বন্ধনী ৮.১০**

বহু সমাজতত্ত্ববিদে এই দলিত আন্দোলনবোৰক শ্ৰেণীকৰণ কৰিবৰ যত্ন কৰিছে। তেওঁলোকৰ এই প্ৰচেষ্টাৰ পৰা জনা গৈছে যে এই আন্দোলনবোৰ হ'ল বিভিন্ন শ্ৰেণীৰ। এইবোৰ হ'ল সংস্কাৰ ধৰ্মী, বিপ্লৱ ধৰ্মী আৰু মুক্তিকামী। ১৯ শতিকাতেই জোতিবা ফুলেৰ প্ৰেৰণাত আৰম্ভ হোৱা জাতি বিৰোধী আন্দোলন যি আন্দোলনক ১৯২০ ৰ দশকত মহাৰাষ্ট্ৰ আৰু তামিলনাডুৰ অ-ব্ৰাহ্মণ আন্দোলনে আগবঢ়াই নিছিল আৰু ড°· আম্বেদকাৰে নেতৃত্ব বহন কৰিছিল, সেই আন্দোলনত এই সকলো বৈশিষ্ট্য বিৰাজমান আছিল। যথাসম্ভৱ ই-সমাজৰ ক্ষেত্ৰত বৈপ্লৱিক আৰু ব্যক্তিৰ ক্ষেত্ৰত মুক্তিকামী আছিল। ইয়াৰ লগতে ড° আম্বেদকাৰৰ নেতৃত্বৰ পাছৰ কালছোৱাতো ই বৈপ্লৱিক চৰিত্ৰ বজাই ৰাখিছিল। আন্দোলনটোৱে মানুহৰ জীৱন ধাৰণৰ পথৰ ক্ষেত্ৰতো পৰিৱৰ্তন আনিব বিচাৰিছিল। এনে কৰিবলৈ গৈ প্ৰচলিত কিছুমান নীতি নিয়মৰ সংস্কাৰ কৰিছিল আৰু কিছুমান যোগ দিব বিচাৰিছিল। আকৌ ধৰ্মীয় কৰ্ম বা ধৰ্মীয় অনুষ্ঠানবোৰত গো মাংস ভক্ষণ কৰাটো ত্যাগ কৰিছিল। ই দলিত সমাজ পৰিৱৰ্তনৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। লগতে তেওঁলোকৰ ওপৰত থকা নীচ জাতিৰ ধাৰণাটোক সম্পূৰ্ণৰূপে

বিলুপ্ত কৰিব বিচাৰিছিল, যিটোক বৈপ্লৱিক লক্ষ্য হিচাপে ক'ব পাৰি। আনহাতে এই আন্দোলনে উচ্চ জাতিৰ লোকে কৰা অৰ্থনৈতিক শোষণ ৰোধ কৰি সামাজিক গতিশীলতাৰ বাবে দলিতসকলক সুবিধা প্ৰদান কৰিব বিচাৰিছিল।

অৱশ্যে সামগ্ৰিক ভাৱে এই আন্দোলন হ'ল এক সংস্কাৰ ধৰ্মী আন্দোলন, যাক সংস্কাৰক সকলে নেতৃত্ব দিছিল। এই আন্দোলনে উচ্চ জাতি আৰু দলিত সকলৰ মাজত থকা সীমাৰেখা বিলুপ্ত কৰাৰ প্ৰয়াস কৰিছিল যদিও সেই প্ৰয়াস আধৰুৱা হৈ ৰ'ল। ই কিছুমান প্ৰাপ্তি লাভ কৰিছিল যদিও, সেই প্ৰাপ্তিৰ বেছি ভাগেই দলিত সকলৰ মাজৰ শিক্ষিত সকলেহে লাভ কৰিছিল। কিন্তু এই আন্দোলন দলিত সমাজখনক উপযুক্তভাৱে পৰিৱৰ্তন কৰাত সফল হোৱা নাই আৰু বৰ্তমানেও তেওঁলোক বিশ্বত দৰিদ্ৰ, অৱহেলিত হিচাপেই পৰিচিত হৈ আছে।

**বন্ধনী ৮.১০ ৰ পৰা অনুশীলনী**

➢ কি কাৰণত দলিত আন্দোলনক সংস্কাৰ ধৰ্মী আৰু মুক্তিকামী হিচাপে আখ্যা দিয়া হয় আলোচনাকৰা।

➢ওপৰৰ টোকাত উল্লেখিত পৰ্যবেক্ষণৰ কথাখিনিৰ সৈতে তোমালোকে একমত নে? আলোচনা কৰা।

অধিকাৰ, সম-মৰ্যাদা, আত্ম-সন্মান লাভ, তেওঁলোকৰ প্ৰতি উচ্চ জাতিৰ অস্পৃশ্যতাৰ মনোভাৱ, দমনমূলক অৱহেলা ইত্যাদি লুপ্ত কৰা। (Shah 2001 : 194)। এই প্ৰচেষ্টা দেখা গৈছিল মধ্য প্ৰদেশৰ পূব অঞ্চলৰ ছত্তিশগড়ৰ ভৈয়ামত অৱস্থিত চামৰচ্ নামৰ ঠাইত সৎনামী আন্দোলন, পাঞ্জাৱত আদি ধৰ্ম আন্দোলন, মহাৰাষ্ট্ৰত হোৱা মাহাৰ আন্দোলন, আগ্ৰাৰ জাতৱ নামৰ লোকসকলৰ মাজত গঢ়ি উঠা সামাজিক ৰাজনৈতিক আন্দোলন আৰু দক্ষিণ ভাৰতত গঢ়ি উঠা ব্ৰাক্ষণ বিৰোধী আন্দোলন ইত্যাদি।

বৰ্তমান সময়ছোৱাত দেখা গৈছে যে দেশৰ জনসাধাৰণৰ মাজত প্ৰশ্নবিহীন ভাৱেই দলিত আন্দোলনবোৰে গুৰুত্বপূৰ্ণ স্থান গ্ৰহণ কৰিছে। দলিত আন্দোলনবোৰে গতি লাভ কৰাৰ ক্ষেত্ৰত দলিত সাহিত্যিকৰ লিখনিয়েও প্ৰভূত অৰিহণা যোগাইছে। ভাৰতীয় হিন্দু ধৰ্ম ব্যৱস্থাত পৰম্পৰাগত ভাৱে চলি অহা এটা পদ্ধতি হ'ল চতুৰ্বৰ্ণ পদ্ধতি

(Chaturvarna System) আৰু উচ্চ-নিম্ন জাতিৰ ধাৰণা। কিন্তু এই চতুবৰ্ণ আৰু উচ্চ-নিম্ন জাতিৰ ধাৰণাক দলিত সাহিত্যই সজোৰে বিৰোধিতা কৰি আহিছে। হিন্দু সমাজৰ চতুবৰ্ণ পদ্ধতি আৰু জাতি বিন্যাসে নিম্ন জাতিৰ লোকসকলৰ সৃজনশীলতা আৰু অস্তিত্বক মোহাৰি পেলোৱা বুলি দলিত সাহিত্যিকসকলে বিবেচনা কৰে। সেয়েহে দলিত সাহিত্যিত প্ৰত্যক্ষৰূপে চতুবৰ্ণ পদ্ধতি আৰু জাতি ব্যৱস্থাৰ বিৰোধিতা কৰা হৈছে। বাস্তৱ অভিজ্ঞতা আৰু অনুভূতিৰ ওপৰত প্ৰতিষ্ঠিত নিজস্ব চিত্ৰকল্প (imagery) আৰু প্ৰকাশভঙ্গী ব্যৱহাৰ কৰাত দলিত লিখকসকল সংকল্পবদ্ধ। তেওঁলোকৰ বহুতেই অনুভৱ কৰে যে হিন্দু সমাজৰ মূলধাৰাৰ সাহিত্যত সামাজিক চিত্ৰকল্পত প্ৰকৃত সত্যক প্ৰকাশ কৰাৰ সলনি ঢাকি ৰাখে। দলিত সাহিত্য ৰচনাবোৰে সামাজিক আৰু সাংস্কৃতিক বিপ্লৱক আহ্বান জনাইছে। কিছুসংখ্যকে মৰ্যাদা আৰু পৰিচয়ৰ সাংস্কৃতিক সংগ্ৰামক গুৰুত্ব দিয়াৰ বিপৰীতে অন্যসকলে অৰ্থনৈতিক দিশকে ধৰি সমাজৰ সংৰচনাত্মক বৈশিষ্ট সমূহৰ পাতনি মেলিছে।

## পিছপৰা শ্ৰেণী / জাতিৰ আন্দোলন (Backward Class / Caste Movements)

ভাৰতৰ পিছপৰা শ্ৰেণী/পিছপৰা জাতিয়ে নিজকে এক ৰাজনৈতিক অস্তিত্ব হিচাপে ঔপনিবেশিক আমোলৰ পৰাই উত্থান হৈ আহিছে, যিটো ঔপনিবেশিক আমোলৰ পাছৰ সময়ছোৱাতো দেখা গৈছে। ঔপনিবেশিক ৰাষ্ট্ৰই ভাৰতত 'জাতি' ৰ স্থিতিক বা জাতি ব্যৱস্থাক পৃষ্ঠপোষকতা কৰিছিল। ইয়াৰ ফলতেই সামাজিক আৰু ৰাজনৈতিক লাভৰ বাবে, সেই সময়ৰ লোকসকলে নিজ নিজ জাতিৰ মাজতে নিজকে সীমাবদ্ধ কৰি ৰাখিছিল। তদুপৰি একে সামাজিক প্ৰস্থিতি বা স্থান প্ৰাপ্ত জাতিবোৰ এক গোট হৈ এক বৃহৎ পৰিসৰ গঢ়ি তুলিবলৈ সক্ষম হৈছিল। যাক অনুভূমিক সম্প্ৰসাৰণ (Horizontal stretch) বুলি আখ্যা দিয়া হয়। 'জাতি'ৰ ধৰ্মীয় উপাদানবোৰ নোহোৱা হৈ ধৰ্মনিৰপেক্ষতাৰ পিনলৈ গতি কৰাটোৱে ৰাজনৈতিক ৰূপ পালে। (দ্বিতীয় অধ্যায়ত ধৰ্মনিৰপেক্ষতাৰ বিষয়ে আলোচনা কৰা হৈছে।

"অন্যান্য পিছপৰা শ্ৰেণী" নামৰ শব্দাংশ ভাৰতত ১৯ শতাব্দীৰ শেষ সময়ছোৱাৰ পৰাই ব্যৱহৃত হৈ আহিছে। মাদ্ৰাজ প্ৰেচিডেন্সী, মহীশূৰ ৰাজ্য আৰু বম্বে প্ৰেচিডেন্সীত ক্ৰমান্বয়ে ১৮১৭- ১৯১৮ আৰু ১৯২৫ চনৰ পৰা এই সংজ্ঞাটো বহুলভাৱে প্ৰচলিত

**বন্ধনী ৮.১১**

গোবিন্দ বল্লভ পন্টে মানুহৰ মৌলিক অধিকাৰ আৰু সংখ্যা লঘিষ্ঠ সকলৰ বাবে সংবিধানিক ব্যৱস্থা গ্ৰহণত দিয়া এক ভাষণত কৈছিল যে- " আমি সমাজৰ নিম্ন শ্ৰেণী, অনুসূচীত জাতি, অন্যান্য পিছপৰা শ্ৰেণী ইত্যাদিৰ উন্নয়নৰ বাবে বিশেষ ব্যৱস্থা ল'ব লাগিব। তেওঁলোকক সৰ্ব দিশতে উন্নত অৱস্থানলৈ আনিবই লাগিব। .... অন্যথা আমি দেশত এটা সবল ৰাজনৈতিক ব্যৱস্থা নাপাম"।

সাম্প্ৰতিক সময়ছোৱাত আমি দেখা পাওঁ যে- ৰাজ্য চৰকাৰবোৰে এই লোক সকলৰ বাবে বিভিন্ন ক্ষেত্ৰত গ্ৰহণ কৰা সংৰক্ষণ ব্যৱস্থাৰ ওপৰত প্ৰায়ে যুক্তিতৰ্ক হৈ আহিছে।

আছিল। ১৯২০ ৰ দশকৰ পৰা ভাৰতৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা জাতিবোৰক লৈ বিভিন্ন সংগঠন মূৰ দাঙি উঠিছিল। ইয়াৰ ভিতৰত ইউনাইটেড প্ৰভিন্স হিন্দু বেকৱাৰ্ড ক্লাচ লিগ্, অল ইণ্ডিয়া বেকৱাৰ্ড ক্লাচ ফেডাৰেচন, অল ইণ্ডিয়া বেকৱাৰ্ড ক্লাচ লিগ্ অন্যতম। ১৯৫৪ চনত ভাৰতত এনেদৰে মুঠ ৮৮ টা সংগঠনে পিছপৰা শ্ৰেণীৰ বাবে কাম কৰিছিল।

## উচ্চ শ্ৰেণীৰ প্ৰত্যুত্তৰ (The Upper Caste Response)

ভাৰতৰ ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰত দলিত আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ ক্ৰমবৰ্দ্ধমান গুৰুত্বই উচ্চশ্ৰেণীৰ মাজত এক সংকীৰ্ণ মনোভাব গঢ়ি তুলিছে। যাৰ ফলত তেওঁলোকে ভাবিবলৈ বাধ্য হৈছে যে চৰকাৰে তেওঁলোকক যথাযোগ্য গুৰুত্ব আৰোপ নকৰে। সমাজতত্ত্বৰ ছাত্ৰ হিচাপে আমাৰ দায়িত্ব হ'ল যে এনেধৰণৰ মনোভাৱৰ উৎস ক'ত পোৱা যাব তাক অধ্যয়ন কৰা। লগতে এইটোও জনা জৰুৰী যে পূৰ্বৰ প্ৰজন্মই কিয় জাতিক আধুনিক ভাৰতৰ ' জাগ্ৰত সত্য' ৰূপে মানি লোৱা নাছিল। (বন্ধনী ৪.১২ ত এক সমাজতাত্ত্বিক ব্যাখ্যা দিয়া হৈছে)

বহুলভাৱে যদি চোৱা যায় তেন্তে দেখা যায় যে ভাৰতত স্বাধীনতাৰ পাছত সকলোবোৰ সামাজিক গোটৰে উন্নতি ঘটিছে। কিন্তু ইয়াত সকলোবোৰ গোটৰে সমান ভাৱে উন্নতি হৈছে নে নাই তাক ফঁহিয়াই চোৱাৰ প্ৰয়োজন আছে। এয়া সত্য যে একবিংশ শতিকাৰ আৰম্ভণিতে সকলো জাতিসমূহৰ (caste groups) মাজত বিভিন্ন জীৱিকা আৰু বৃত্তিৰ পৰিসৰ আগতকৈ যথেষ্ট বৃদ্ধি হ'ল। তথাপিও উচ্চ বা সকলোৰে আকাংক্ষিত বৃত্তিবোৰত উচ্চ জাতিৰ লোকে অগ্ৰাধিকাৰ পোৱা আৰু নিম্ন খাপৰ আৰু লেতেৰা বুলি

**বন্ধনী ৮.১২**

নেহেৰুৰ সময়ত ভাৰতত জন্মগ্ৰহণ কৰা প্ৰজন্মৰ বিশেষকৈ যিসকল মোৰ নিচিনা পৰম্পৰাগতভৱে উচ্চ জাতিৰ কিন্তু নতুনকৈ হোৱা নগৰ আৰু নতুন বৃত্তিধৰী মধ্যবিত্ত শ্ৰেণীৰ পৰিবেশত ডাঙৰ-দীঘল হৈছিল তেওঁলোকৰ বাবে জাতি এক পৌৰাণিক ধাৰণা আছিল। সঁচা কথা যে পৰম্পৰাগত ধৰ্মীয় ৰীতি-নীতি বিশেষকৈ বিবাহৰ ক্ষেত্ৰত পৌৰহিত্য কৰিব পৰাকৈ নাইকিয়া হোৱা নাই কিন্তু নগৰীয়া দৈনন্দিন জীৱনত জাতিৰ কোনো সক্ৰিয় ভূমিকা নাছিল।

সাম্প্ৰতিক সময়তহে মণ্ডলৰ বক্তব্যৰ পিছত আমি বুজিবলৈ আৰম্ভ কৰিছো যে নগৰীয়া মধ্যবিত্ত শ্ৰেণীৰ প্ৰসঙ্গত জাতি প্ৰায় অদৃশ্য। ইয়াৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰণটো হ'ল এই প্ৰসঙ্গত উচ্চজাতিৰ লোকসকলেই প্ৰভাৱ বিস্তাৰ কৰিছে। এই সহজাতীয়তাৰ বাবেই ইয়াত জাতি সামাজিকৰূপত দৃশ্যমান নহয়। যদি প্ৰত্যেকেই উচ্চ জাতিৰ হয় তেতিয়া জাতি পৰিচয় এক সমস্যা হৈ নুঠে যিদৰে আমাৰ 'ভাৰতীয়' পৰিচয় বিদেশত প্ৰসঙ্গিক হ'লেও ভাৰতত এয়া লক্ষণীয় নহয়।

বিবেচিত বৃত্তিত অধিকাংশ লোকেই নিম্ন জাতিৰপৰা অহা বাস্তৱ সত্য অপৰিবৰ্তনীয় হৈয়েই আছে। প্ৰথম পাঠ্যপুথিত বৈষম্য আৰু বৰ্জনৰ বিষয়ে আলোচনা কৰা হৈছে।

## ৮.৭ জনজাতীয় আন্দোলন (The trifal Movement)

ভাৰতীয় বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা জনজাতি সকলৰ আন্দোলনৰ প্ৰধান কাৰণসমূহ প্ৰায় একে ধৰণৰ। তথাপিও কিন্তু এই জনজাতিবোৰৰ মাজত প্ৰভেদ সুস্পষ্ট। ভাৰতৰ জনজাতীয় আন্দোলনৰ মূখ্যস্থান হিচপে মধ্য ভাৰতৰ ' জনজাতীয় অঞ্চল' বোৰক ধৰিব পাৰি। এই অঞ্চলতে ভাৰতৰ কেইটামান মূখ্য জনজাতি যেনে-চান্থাল, হো,ওৰাও, মুণ্ডা ইত্যাদিবোৰে বসবাস কৰে। এই জনজাতীয় অঞ্চলৰ সিংহভাগ অধিকাৰ কৰি আছে




জনজাতীয় লোকৰ সংগ্ৰাম অব্যাহত

ঝাৰখণ্ডই। ইয়াত ঝাৰখণ্ড আৰু ভাৰতৰ উত্তৰ পূৱৰ জনজাতি আন্দোলনৰ বিষয়ে আলোচনা কৰা হৈছে।

**ঝাৰখণ্ড**

ঝাৰখণ্ড ২০০০ চনত বিহাৰৰ দক্ষিণ অংশৰ পৰা ফালৰি কাটি জন্ম লোৱা এখন নতুন ৰাজ্য। ইয়াৰ জন্মৰ বাবে হোৱা সংগ্ৰামৰ ইতিহাস যথেষ্ট দীঘলীয়া। এইখন ৰাজ্যৰে এজন আদিবাসী সন্তান, বিৰছামুণ্ডাই ব্ৰিটিছ সাম্ৰাজ্যৰ বিৰুদ্ধে যুঁজিছিল। ঝাৰখণ্ড আন্দোলনৰ উৎস ইয়াতেই আৰম্ভ বুলিব পাৰি। বিৰছামুণ্ডাক অনুপ্ৰেৰণা ৰূপে গ্ৰহণ কৰি ঝাৰখণ্ডী আন্দোলনে এক অনন্য যাত্ৰা লাভ কৰিছিল। মুণ্ডাৰ বিষয়ে ঝাৰখণ্ডতে যথেষ্ট গল্প আৰু সংগীত আজিও প্ৰচলিত। ইয়াৰ উপৰিও বিভিন্ন লিখনিয়েও বিৰছামুণ্ডাৰ স্মৃতি সজীৱ কৰি ৰাখিছে।

খ্ৰীষ্টিয়ান মিছনেৰী সকলে এই অঞ্চলত প্ৰথম শিক্ষাৰ পোহৰ বিলাইছিল। এইদৰেই শিক্ষিত আদিবাসী সকলে নিজ ইতিহাসৰ বিষয়ে অধ্যয়ন তথা বিভিন্ন তথ্য সংগ্ৰহ কৰিবলৈ আৰম্ভ কৰিছিল। এইদৰে সংগ্ৰহ কৰা বিভিন্ন জনজাতীয় ৰীতি-নীতি তথা সংস্কৃতিৰ তথ্যই জনজাতিবোৰক একত্ৰিত কৰিবলৈ সক্ষম হৈছিল।

শিক্ষিত আদিবাসীসকলেও যোগ্যতাসহ চৰকাৰী চাকৰিত যোগদান কৰিবলৈ লৈছিল আৰু সময় বাগৰাৰ লগে লগে তেওঁলোকৰ মাজৰপৰাই এক মধ্যবিত্ত বুদ্ধিজীৱী নেতৃত্বৰ উদ্ভৱ হৈছিল যিসকলে বিধিবদ্ধভাৱে এক সুকীয়া ৰাজ্যৰ দাবী উত্থাপন কৰিছিল। ইয়াৰ বাবে অকল ভাৰততে নহয় বিদেশতো ভাৰতীয় চৰকাৰক হেঁচা দিব পৰা প্ৰভাৱশালী গোটৰ গঢ় দিছিল । দক্ষিণ বিহাৰ অঞ্চলৰ আদিবাসীসকলৰ মনত প্ৰব্ৰজন কৰা বণিক আৰু সুদখোৰ মহাজনসকলৰ প্ৰতি এক উমৈহতীয়া ঘৃণাৰ ভাৱে ঠাই লৈছিল। কাৰণ এইসকল লোকেই এই অঞ্চলটোত খোপনি পুতি তাৰ সম্পদ হস্তগত কৰি মূল বাসিন্দাসকলক দৰিদ্ৰ অৱস্থালৈ ঠেলি পঠিয়াইছিল। খনিজ দ্ৰব্যত চহকী অঞ্চলৰ আদিবাসীক অপসাৰণ কৰি তাত স্থাপন কৰা খনি আৰু ঔদ্যোগিক প্ৰকল্পসমূহৰপৰা হোৱা লাভৰ অংশ বণিক আৰু মহাজন সকলৰ হাতলৈ গৈছিল। নিজ বাসভূমিতে ক্ষমতাহীন হৈ পৰা অভিজ্ঞতা আৰু অন্যায়ৰ অনুভৱেৰে জাগ্ৰত হৈ উঠা আদিবাসীসকলে এক সুকীয়া ঝাৰখণ্ডী পৰিচয়ৰ সৃষ্টিৰ বাবে একমতত উপনীত হৈছিল। এই দিশত

অনুপ্ৰাণিত হৈ আদিবাসীসকলে তেওঁলোকৰ সামূহিক কাৰ্যকলাপ বঢ়াই তুলি অৱশেষত এক সুকীয়া ৰাজ্যগঠন সম্ভৱ কৰি তুলিছিল।

ঝাৰখণ্ড আন্দোলনৰ নেতাসকলে যিবোৰ বিষয়ৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছিল সেইবোৰ হ'ল ঃ-

- বৃহৎ জলসিঞ্চন প্ৰকল্প আৰু সৈন্যসকলৰ গুলিচালনাৰ অনুশীলনৰ বাবে ভূমি অধিগ্ৰহণ।
- ভূ-মাপন আৰু বসতি প্ৰবৰ্ত্তনত বিলম্ব, অস্থায়ী শিবিৰ বন্ধ।
- ঋণ, ভাড়া আৰু সমবায় মাছুলৰ বাবদ ধন সংগ্ৰহ।
- বনজাত সম্পদৰ ৰাষ্ট্ৰীয়কৰণ।

**উত্তৰ পূৰ্বাঞ্চল**

স্বাধীন ভাৰতত ৰাজ্য গঠনৰ বাবে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা আঁচনিত গৰিষ্ঠ সংখ্যক পাহাৰীয়া জিলাই ঐক্যমতত উপনীত হ'ব পৰা নাছিল। নিজ নিজ ভাষা সংস্কৃতিৰ ধবজাবাহক বিভিন্ন জনগোষ্ঠীবোৰে অসম নামৰ এখন ৰাজ্যৰ প্ৰশাসনীয় ব্যৱস্থাক আস্থাত লোৱা নাছিল।

" ভাৰতীয় মূলসূঁতিৰ পৰা দীৰ্ঘদিন ধৰি বিচ্ছিন্ন হৈ থকা উত্তৰ-পূৰ ভাৰতৰ জনগোষ্ঠীবোৰৰ সংযোগ স্থাপনত এটা নতুন পৰিবেশ সৃষ্টি হৈছিল আৰু জনজাতিবোৰেও এই পৰিবেশৰ লগত খাপ খাবলৈ চেষ্টা কৰিছিল। ইয়াৰ ফলতেই উত্তৰ-পূৰ ভাৰতৰ এই জনগোষ্ঠীবোৰৰ মাজত নৃ-জাতীয়তা (Ethnicity) ৰ মনোভাৱ সৃষ্টি হৈছিল। দীৰ্ঘ দিন ধৰি বিচ্ছিন্ন হৈ থকা এই জনগোষ্ঠীবোৰে ইয়াৰ লগে লগে কিছু বাহিৰা শক্তিৰ প্ৰভাৱত তেওঁলোকৰ নিজা সামাজিক আৰু সাংস্কৃতিক সংস্থাবোৰক সবলভাৱে আগবঢ়াই নিব পাৰিছিল। .... প্ৰথম পৰ্যায়ত যদিওৱা তেওঁলোকৰ মাজত মূল ভাৰতীয় সকলৰপৰা পৃথক হৈ থকাৰ প্ৰৱণতা আছিল, কিন্তু পিছৰ পৰ্যায়ত এই প্ৰবণতা পৰিবৰ্তন হৈ ভাৰতীয় সংবিধানৰ গণ্ডীৰ ভিতৰত থাকিয়েই স্বায়ত্ব শাসন বিচাৰিলে।" (Nangbri 2003: 115)

জনজাতীয় আন্দোলনৰ মুল কাৰণ আছিল গৰিষ্ঠ সংখ্যক জনজাতিৰ লোকক তেওঁলোকৰ মূল বনভূমি (Forest Land) ৰ পৰা অপসাৰিত কৰাটো। সাংস্কৃতিক পৰিচয়,

অৰ্থনৈতিক অসমানতাৰ উপৰিও জনজাতীয় আন্দোলনৰ আন এটা প্ৰধান কাৰণ আছিল পৰিবেশীয় কাৰণবোৰ। এই সকলোবোৰ কাৰকে ভাৰতৰ বৰ্তমান আৰু অতীতৰ সামাজিক আন্দোলনৰ কাৰণ সমূহৰ এক চমু আভাষ দিয়ে।

## ৮.৮ নাৰী আন্দোলন (The Women's Movement)

### ১৯ শতিকাৰ সমাজ সংস্কাৰ আন্দোলন আৰু প্ৰাৰম্ভিক নাৰী সংগঠনসমূহ (The 19th Century Social Reform Movements and Early Women's Organisations)



গাফিআল্ল' নামৰ North Cedar Hill ৰ এই মহিলা গৰাকীয়ে আইন অমান্য আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰাৰ বাবে বিখ্যাত হৈ পৰিছিল।

তোমালোকে ইতিমধ্যে ভাৰতবৰ্ষত ১৯ শতিকাত হোৱা সমাজ সংস্কাৰ আন্দোলনবোৰৰ বিষয়ে বহু কথা জানিব পাৰিছা। লগতে জানিব পাৰিছা যে এইবোৰ ভাৰতীয় নাৰীৰ বিভিন্ন সমস্যা বা বিষয় লৈ সৃষ্টি হৈছিল। ২০ শতিকাত (বিংশ শতিকাত) দেখা গ'ল যে, ৰাষ্ট্ৰীয় আৰু আঞ্চলিক পৰ্যায়ত বহুবোৰ নাৰী সংগঠন ঠন ধৰি উঠিল। এইবোৰৰ ভিতৰত উল্লেখযোগ্য "The Women's India Association"(WIA) গঠিত হৈছিল ১৯১৭ চনত, " All India Women's Conference" (AIWC) গঠিত হৈছিল ১৯২৬ চনত আৰু ১৯২৫ চনত National Council for Women in India (NCWI)। বহুবোৰ এনে সংগঠনে জন্মৰ পাছতো প্ৰাৰম্ভিক সময়ত কম বিষয়বস্তুহে সাঙুৰি লৈছিল, পিছলৈ এই বিষয়বস্তুবোৰৰ পৰিসৰ বৃদ্ধি হৈছিল। উদাহৰণ স্বৰূপে "AIWC" এ প্ৰাৰম্ভিক অৱস্থাত 'নাৰীৰ কল্যাণ' (Women's Welfare) আৰু 'ৰাজনীতি' (Politics) এই দুই বিষয়তেই গুৰুত্ব দিছিল, পিছলৈ কিন্তু ই সাঙুৰি লোৱা বিষয়বস্তুৰ পৰিসৰ বৃদ্ধি হৈছিল। কেইবছৰ মানৰ পাছত সেই সংগঠনৰ সভাপতিৰ এক ভাষণৰ কিয়দংশৰ পৰা তেখেতৰ বক্তব্য আছিল -"....যদি ভাৰতবৰ্ষ পৰাধীন হৈয়ে থাকে, তেতিয়া দেশৰ পুৰুষ বা মহিলাসকল স্বাধীন হ'ব পাৰিব জানো?

আমি আমাৰ সমাজবোৰত সংস্কাৰ সাধিবলৈ যি মূল আধাৰ, 'স্বাধীনতা' পাব লাগে সেই স্বাধীনতা পাবলৈ আমি কিয় নিমাত হৈ থাকিম?" (Choudhuri 1993 : 149)

প্ৰাৰম্ভিক অৱস্থাত এই সংগঠনবোৰে সামাজিক আন্দোলন গঢ়ি তুলিবৰ বাবে বিশেষ কৰা নাছিল যদিও এইবোৰ সংগঠনৰ আছিল সবল সাংগঠনিক দিশ, নিৰ্দ্দিষ্ট আদৰ্শ, উপযুক্ত নেতৃত্ব , সমভাগী বুজাবুজিৰ মানসিকতা আৰু জনসাধাৰণৰ বিভিন্ন সমস্যা ৰোধ কৰা বা কিছুমান বিষয়ত পৰিবৰ্তন অনাৰ লক্ষ্য।

## ভূমি বিষয়ক সংগ্ৰাম আৰু বিদ্ৰোহ (Agrarian Struggles and Revolts)

এই কথা ধৰি লোৱা হৈছিল যে সামাজিক আন্দোলনবোৰত কেৱল মধ্যবিত্ত শ্ৰেণীৰ শিক্ষিত মহিলাসকলেহে অংশ লৈছিল। কিন্তু এই কথা পাহৰা হয় যে মহিলা সকলে পুৰুষৰ সৈতে একেলগে সংগ্ৰাম আৰু বিপ্লৱত অংশ গ্ৰহণ কৰাটো প্ৰকৃততে উদ্ভৱ হৈছিল ঔপনিবেশিক সময়ছোৱাত জনজাতীয় আৰু গ্ৰাম্য অঞ্চলত। বংগৰ টেলেংগানা আন্দোলন, হায়দৰাবাদৰ নিজামৰ নিয়ম কানুনৰ বিপক্ষে টেভাগা অঞ্চলৰ লোকৰ অস্ত্ৰ সহিত সংগ্ৰাম, মহাৰাষ্ট্ৰত ব'ন্দেজৰ বিপক্ষে ৱাৰ্লি (Warli) জনজাতীয় বিপ্লৱ ইত্যাদি কিছু উদাহৰণ, য'ত মহিলাসকলেও সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

## ১৯৪৭ চনৰ পাছৰ পৰ্যায় (Post 1947)

এই বিষয় প্ৰায়েই উত্থাপন হয় যে যদি ১৯৪৭ চনৰ আগত সক্ৰিয় নাৰী আন্দোলন হৈছিল তেনেহ'লে পাছলৈ কি হ'ল? ইয়াৰ এটা ব্যাখ্যা এনেদৰে আগবঢ়োৱা হৈছে যে নাৰীৰ হকে কাম কৰা বহুত মহিলাই ৰাষ্ট্ৰীয় আন্দোলনত সক্ৰিয় অংশগ্ৰহণ কৰাৰ লগতে ৰাষ্ট্ৰ গঠনৰ কামত মনোনিৱেশ কৰিছিল। বাকী সক্ৰিয় মহিলাসকলে দেশ বিভাজনৰ ফলত সৃষ্টি হোৱা শোকদায়ক পৰিস্থিতিত দেশত শান্তি স্থাপন প্ৰচেষ্ঠাত ব্ৰতী হৈছিল।

ঠিক ১৯৭০ ৰ দশকৰ মাজভাগৰ পৰা ভাৰতবৰ্ষৰ নাৰী আন্দোলনবোৰলৈ কিছু নতুনত্ব আহি পৰিল। আহি পৰিল কিছু নতুন বিষয়। যোগ হ'ল নতুন কিছু আদৰ্শ। লগতে সাংগঠনিক দিশতো কিছু পৰিবৰ্তন আহি পৰিল। বহু সংগঠনে স্ব-পৰিচালিত (autonomous) নাৰী আন্দোলন গঢ়ি তুলিলে। এই 'স্ব-পৰিচালিত' বা "autonomous" শব্দই এই সংগঠনবোৰ ৰাজনৈতিক দলবোৰৰ পৰিচালনা বা নিয়ন্ত্ৰণৰ পৰা মুক্ত হৈ

আন্দোলন কৰাটো বুজাইছে। কিয়নো আন কিছুমান সংগঠন ৰাজনৈতিক দলৰ নিয়ন্ত্ৰণত আছিল। সেয়ে ৰাজনৈতিক দলৰ পৰা মুক্ত হৈ আন্দোলন কৰা সংগঠন আৰু ৰাজনৈতিক দলবোৰৰ নিয়ন্ত্ৰণত থকা সংগঠনবোৰৰ মাজত এক পাৰ্থক্য ওলাই পৰিল। এই কথাও অনুভূত হৈছিল বহু ৰাজনৈতিক দলে এই সংগঠনবোৰ নিয়ন্ত্ৰণ কৰি আছিল যদিও তেওঁলোকে মহিলাসকলৰ বিষয় বা সমস্যাবোৰ একাষৰীয়া কৰি অন্যান্য বিষয়ৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰিছিল।

সাংগঠনিক দিশত হোৱা পৰিবৰ্তনবোৰৰ উপৰিও নতুন নতুন বিষয়তো গুৰুত্ব প্ৰদান কৰা হৈছিল। হিংসাৰ সন্মুখীন হোৱা নাৰীসকলৰ ঘটনাবোৰক লৈ বছৰ বছৰ ধৰি প্ৰচাৰ অভিযান চলাই থকা হৈছে। তোমালোকে নিশ্চয় মন কৰিছা যে বিদ্যালয়ত নামভৰ্ত্তিৰ বাবে থকা প্ৰ-পত্ৰ সমূহত ল'ৰা-ছোৱালীৰ পিতৃ-মাতৃ উভয়ৰ নাম লিখিব লাগে। এনে ব্যৱস্থা কিন্তু আগতে নাছিল। এনে বহু গুৰুত্বপূৰ্ণ আইনী পৰিবৰ্তনৰ বাবে নাৰী আন্দোলনসমূহৰ শলাগ ল'বই লাগিব। ভূমিৰ অধিকাৰ, নিযুক্তি আদিৰ উপৰিও যৌন নিৰ্যাতন আৰু যৌতুকৰ বিষয়বোৰো নাৰী আন্দোলনত সাঙুৰি লোৱা হৈছে।

এইটো কথা স্বীকাৰ্য যে যি ক্ষেত্ৰত সকলো নাৰীয়ে পুৰুষৰ তুলনাত কিছু ক্ষেত্ৰত




যৌতুক প্ৰথাৰ বিপক্ষে সংগ্ৰাম



শ্বাহজেহান বেগম নামৰ মহিলা গৰাকীয়ে যৌতুকৰ বাবে হত্যা কৰা তেওঁৰ কন্যাৰ ফটো প্ৰদৰ্শন কৰিছে।

অসুবিধাজনক স্থিতিত আছে কিন্তু সকলো নাৰীয়ে একে পৰ্যায়ৰ বা ধৰণৰ কষ্টদায়ক বৈষম্যমূলক আচৰণৰ সন্মুখীন  হোৱা নাই। শিক্ষিতা মধ্যবিত্ত শ্ৰেণীৰ মহিলাৰ স্থিতি কৃষক মহিলাতকৈ বেলেগ।  একেদৰেই  দলিত মহিলা এগৰাকী আৰু 'উচ্চজাতিৰ' ৰ মহিলা এগৰাকীৰ স্থিতিৰ মাজতো পাৰ্থক্য আছে। হিংসাজনিত এটা উদাহৰণ লোৱা যাওক।

(বন্ধনী ৮.১৪ ত চোৱা)।

পুৰুষ আৰু নাৰী উভয়ে এক বাধ্যতামূলক প্ৰভাৱশালী লিংগ পৰিচয়ৰদ্বাৰা নিয়ন্ত্ৰিত হৈ থাকিব লগীয়া কথাটো সৰ্বজনবিদিত। যেনে পিতৃপ্ৰধান সমাজত পুৰুষসকলে অনুভৱ কৰে যে তেওঁলোক দৃঢ় আৰু সফল হ'ব লাগিব। আৱেগিক হোৱা কথাটো পুৰুষ সুলভ আচৰণ নহয়। লিঙ্গ-নিৰপেক্ষ সমাজত নাৰী-পুৰুষ উভয়ে স্বাধীন। নিশ্চিতৰূপত এনে সমাজৰ স্থিতিৰ আদৰ্শটো হ'ল বিকশিত হোৱাৰ প্ৰকৃত স্বাধীনতাৰ বাবে সকলো প্ৰকাৰৰ অন্যায়ৰ অন্ত  হ'ব  লাগিব।

**বন্ধনী ৮.১৩**

এনে এটা সময় আহিছিল যি সময়ত দেশত নিবনুৱা সমস্যা, পৰিবেশ অৱনতি, ক্ৰমবৰ্দ্ধমান দৰিদ্ৰতা ইত্যাদিৰ বাবে এক বিশৃংখল ৰাজনৈতিক পৰিবেশৰ সৃষ্টি হৈছিল। এনে পৰিস্থিতিতেই কিছুমান সংগ্ৰামৰ সৃষ্টি হৈছিল, যিবোৰৰ কিছুমান কোনো এক ৰাজনৈতিক দলে অকলে কৰিছিল অথবা কিছুমান কেইবাটাও দলে একেলগ হৈ কৰিছিল। এনে ততোধিক দল লগ হৈ কৰা এটি সংগ্ৰাম হ'ল -১৯৬০ৰ দশকৰ শেষ ভাগত বম্বে আৰু গুজৰাটত হোৱা "Anti Price Rise Movement"

১৯৭০ৰ দশকৰ প্ৰথম ভাগত সমস্যা জৰ্জৰিত বিহাৰত এটা বৃহৎ ছাত্ৰ দলে জয় প্ৰকাশে আৰম্ভ কৰা এক "Total Revolution" ক সমৰ্থন জনায়। ....  সেই সময়তে ক্ষমতা ভিত্তিক সংৰচনাৰ বহু প্ৰশ্নৰো উদয় হৈছিল। এইবোৰৰ ভিতৰত নাৰীক কেন্দ্ৰ কৰিও কিছুমান প্ৰশ্ন উদয় হৈছিল - পৰিয়াল, কৰ্ম, বিতৰণ বিষয়ক প্ৰশ্ন, গাৰ্হস্থ্য হিংসা, নাৰী-পুৰুষৰ মাজত সম্পদৰ বিতৰণ, নাৰী-পুৰুষৰ সম্পৰ্কৰ বিষয় আৰু নাৰীকেন্দ্ৰিক যৌনতা ইত্যাদি।

১৯৭০ ৰ দশকত হোৱা উল্লেখযোগ্য ঘটনা হ'ল " স্ব-পৰিচালিত" নাৰী আন্দোলনৰ সূত্ৰপাত। অৰ্থাৎ বহু সংগঠনে আন কোনো দল সংগঠনৰ নিয়ন্ত্ৰণত নাথাকি নিজা পৰিচালনাৰে

আন্দোলন আগবঢ়াই নিছিল। এই চনৰে মাজ ভাগত দেখা গৈছিল যে, বহু শিক্ষিত মহিলাই প্ৰত্যক্ষভাৱে সক্ৰিয় ৰাজনীতিত প্ৰৱেশ কৰি নাৰীৰ সমস্যাবোৰ চৰকাৰৰ ওচৰত উত্থাপন কৰি মহিলাসকলৰ উন্নয়নৰ প্ৰচেষ্টা কৰিছিল। বহু নগৰ চহৰত গঠিত হৈছিল নাৰী কল্যাণ গোট যিবোৰে নাৰীৰ বিপক্ষে বিভিন্ন সমস্যাৰ বিপক্ষে থিয় দিছিল। তেনে সমস্যাৰ বিপক্ষে থিয় দিয়াৰ এক উদাহৰণ হ'ল ১৯৭৮ চনত মথুৰাত হোৱা এক ধৰ্ষণৰ ঘটনা আৰু ১৯৮০ চনত মায়া ত্যাগী নামৰ এগৰাকী মহিলাক কৰা ধৰ্ষণ । এই দুয়োটা ঘটনাৰ বিপক্ষে নাৰী সংগঠনে দলীয়ভাৱে প্ৰচেষ্টা চলাইছিল। উল্লেখনীয় যে দুয়োটা ধৰ্ষণৰ ঘটনাই আৰক্ষী হাজোতত সংঘটিত হৈছিল যাৰ বাবে সমগ্ৰ ৰাষ্ট্ৰজুৰি প্ৰতিবাদী আন্দোলনৰ সৃষ্টি হৈছিল।

উৎস ঃ Ilina Sen "" Women's``` Politics in India" in ed. Maitrayee Choudhuri Faminism India (Women Unlimited/ Kali , New Delhi, 2004) PP. 187-210

**বন্ধনী ৮.১৪**

জাতি ব্যৱস্থাত নাৰীৰ ওপৰত চলি অহা হিংসাত্মক কাৰ্যকলাপৰ এক বিশ্লেষণত প্ৰকাশ যে যৌতুকজনিত মৃত্যু, নাৰীৰ চলন-ফুৰণ আৰু যৌনতাৰ ক্ষেত্ৰত পৰিয়ালৰ প্ৰবল নিয়ন্ত্ৰণৰ ঘটনা প্ৰতিপত্তিশীল উচ্চ জাতিত বিদ্যমান। আনহাতে তুলনামূলকভাৱে সমূহীয়া আৰু ৰাজহুৱাভাৱে ধৰ্ষণৰ ভাবুকি, যৌন উৎপীড়ন, কৰ্মস্থলী আৰু ৰাজহুৱা স্থানত শাৰীৰিক নিৰ্যাতন ঘটনা দলিত সম্প্ৰদায়ৰ নাৰীৰ ক্ষেত্ৰত অধিক হোৱা দেখা যায়।

উৎস ঃ (Sharmila Rege "Dalit Women Talk Differently : A Critique of "Difference and Towards a Dalit Feminist Standpoint Position" in Maitrayee Chaudhury ed. Feminism in India (P.211-223) (Women Unlimited/ Kali Delhi 2004)

**বন্ধনী ৮.১৪ ৰ অনুশীলনী**

- দেখা যায় যে কোনো একাংশ মহিলাৰ লগত আন একাংশ মহিলাৰ ওপৰত উল্লেখিত দিশবোৰৰ উপৰিও আন কিছুমান দিশত পাৰ্থক্য থাকে। এই অন্যান্য পাৰ্থক্যবোৰ ঠিৰাং কৰা।
- কিছুমান বিষয় সকলো মহিলাৰ ক্ষেত্ৰত একে নেকি ? আলোচনা কৰা।

## সামৰণি (Conclusion)

পুথিখনৰ একেবাৰে শেষ পৰ্যায়ত উপনীত হোৱাৰ সময়ত আমি এবাৰ উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ কিতাপৰ প্ৰথম অধ্যায়টি স্মৰণ কৰি চাওঁ। সেই অধ্যায়ত আমি ব্যক্তি আৰু সমাজৰ মাজত থকা সম্পৰ্কৰ বিষয়ে আলোচনা কৰিছিলো। ইয়াৰ পাছৰ বিভিন্ন অধ্যায়তো আমি ব্যক্তি আৰু সমাজৰ মাজত থকা সম্পৰ্কৰ বিষয়ে আলোচনা কৰি সৰ্বশেষত এই অধ্যায়ত সামাজিক আন্দোলনৰ বিষয়ে আলোচনা কৰিলো। দেখা পালো, সামাজিক আন্দোলনবোৰেও ব্যক্তি আৰু সমাজৰ মাজত থকা সম্পৰ্কক সুন্দৰ ভাৱে বুজাই দিছে। এই আন্দোলনবোৰ সৃষ্টিৰ মূল কাৰণ হ'ল সমাজৰ ব্যক্তিসকলে বা সমূহবোৰে তেওঁলোকৰ অৱস্থাৰ পৰিবৰ্তন বিচাৰে আৰু ইয়াৰ যোগেদিয়েই তেওঁলোকলৈ পৰিবৰ্তন অহাৰ লগতে সমাজলৈও পৰিবৰ্তন আহে।

## প্ৰশ্নাৱলী

১) তোমলোকে এনে এখন সমাজৰ কল্পনা কৰা য'ত কোনো সামাজিক আন্দোলন হোৱা নাই।

২) চমুটোকা লিখা

নাৰী আন্দোলন

জনজাতীয় আন্দোলন

৩) ভাৰতবৰ্ষত পুৰণি সামাজিক আন্দোলন আৰু নতুন সামাজিক আন্দোলনৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰাটো যথেষ্ট কঠিন কাম। এই বিষয়ে আলোচনা কৰা।

৪) প্ৰায়বোৰ পাৰিপাৰ্শ্বিক আন্দোলনেই বেছিভাগ সময়তে অৰ্থনৈতিক দিশ আৰু পৰিচয় বিষয়ক দিশ সাঙুৰি লয়। এই সম্পৰ্কে আলোচনা কৰা।

৫) কৃষক আন্দোলন আৰু নব্য-কৃষক আন্দোলনৰ মাজৰ পাৰ্থক্য বিচাৰ কৰা।

## REFERENCES

Banerjee, Sumanta. 2002. 'Naxalbari and the Left Movement' in ed. Ghanshyam Shah, *Social Movements and the State 2002.* pp. 125-192. Sage. New Delhi.

Bhowmick, Sharit K. 2004. 'The Working Class Movement in India : Trade Unions and the State' in Manoranjan Mohanti *Class, Caste and Gender*. Sage. New Delhi.

Chaudhuri, Maitrayee. 1993. *The Indian Women's Movement: Reform and Revival.* Radiant. New Delhi.

Fuchs, Martin and Antje, Linkenbach. 2003. 'Social Movements' in ed. Veena Das, *The Oxford India Companion to Sociology and Social Anthropology*. pp. 1524-1563. Oxford University Press. New Delhi.

Deshpande, Satish. 2003. *Contemporary India: A Sociological View*. Viking. New Delhi.

Giddens, Anthony. 2001. *Sociology* (Fourth edition). Polity. Cambridge.

Guha, Ramchandra. 2002. "Chipko: Social History of an Environmental Movement" in Shah Ghansyam *Social Movements and the State*. Sage. New Delhi.

Nongbri, Tiplut. 2003. *Development. Ethnicity and Gende: Select Essays on Tribes.* Rawat. Jaipur/New Delhi.

Oommen, T.K. 2004. *Nation, Civil Society and Social Movements: Essays in Political Sociology*. Sage. New Delhi.

Rege, Sharmila. 2004. 'Dalit Women Talk Differently: A Critique of 'Difference' and Towards a Dalit Feminist Standpoint Position' in Maitrayee Chaudhuri Ed. *Feminism in India*. pp.211-223. Women Unlimited/Kali. Delhi.

– 2006. *Writing caste/writing gender: narrating dalit women's testimonies.* Zubaan/Kali. Delhi.

Sen, Ilina. 2004. 'Women's Politics in India' in ed. Maitrayee Chaudhuri *Feminism in India Women.* Unlimited/Kali. Delhi.

Shah, Ghansyam Ed. 2001. *Dalit Identity and Politics* . Sage. New Delhi.

– 2002. *Social Movements and the State*. Sage. New Delhi.

*********

## পৰিভাষা
## (Glossary)

**দৈহিক ভঙ্গীমা (Body Language)** ব্যক্তিয়ে পৰিধান কৰা সাজ- পোছাক, কথা-বতৰাৰ ধৰণ, খোজ-কাটলৰ গতিবিধি, দেহৰ অঙ্গী-ভঙ্গী, আন্তঃক্ৰিয়া আদিত প্ৰকাশ পোৱা ভঙ্গীমা।

**বাণিজ্যিকৰণ (Commercialisation)** কোনো এটা বস্তু, সেৱা কৰ্ম অথবা কৰ্মৰ অৰ্থনৈতিক মূল্য নিৰূপণ কৰি বজাৰৰ সামগ্ৰী ৰূপলৈ ৰূপান্তৰ কৰা এক প্ৰক্ৰিয়া।

**সৰাকৃতি (Culture)** এখন সমাজৰ সদস্যৰূপে এজন ব্যক্তিয়ে কোনো বিশেষ জ্ঞান, কলা, নৈতিকতা, আইন-কানুন, ৰীতি-নীতি অথবা তেনে ধৰণৰ অন্যান্য গুণাগুণ আয়ত্ব কৰিব পৰা বা সেইবোৰৰ লগত অভ্যাস গঢ়ি তোলা অৱস্থাটোকে সংস্কৃতি বুলি বুজিব পাৰি।

**বিকেন্দ্ৰীকৰণ (Decentralisation)** এটা প্ৰক্ৰিয়া যি প্ৰক্ৰিয়াৰ জৰিয়তে কোনো কাম-কাজ, সম্পদৰাজি আৰু সিদ্ধান্ত গ্ৰহণৰ ক্ষমতাবোৰ গণতান্ত্ৰিকভাৱে নিৰ্বাচিত নিম্ন পৰ্য্যায়ৰ নিকায়সমূহলৈ ক্ৰমাগতভাৱে হস্তান্তৰ কৰা হয়।

**সাংখ্যিকীকৰণ (Digitalisation)** প্ৰযুক্তি কৌশলৰ এক প্ৰক্ৰিয়া যাৰ যোগেদি সমগ্ৰ বিশ্বতে স্বীকৃতি লাভ কৰা সূক্ষ্ম সাংকেতিক লেখন প্ৰস্তুত কৰা হয়। এই লেখনবোৰ বিভিন্ন যোগাযোগ পদ্ধতিৰ মাধ্যম যেনে - ইণ্টাৰনেট, চেটেলাইট, টেলিফোন, ফাইবাৰ অপটিক লাইন আদিৰ যোগেদি সহজে পদ্ধতিকৰণ কৰি সংৰক্ষণ কৰাৰ উপৰিও ক্ষিপ্ৰগতিৰে বিয়পায় দিব পাৰি।

**নিৰ্বিনিয়োজন (Disinvestment)** ৰাজহুৱা অথবা চৰকাৰী খণ্ডৰ কোম্পানীবোৰ ব্যক্তিগত খণ্ডলৈ ৰূপান্তৰ কৰা।

**শ্ৰম বিভাজন (Division of labour)** শ্ৰমক বিশেষভাৱে ভাগ ভাগ কৰা এক প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াই মানুহক কিছুমান সা-সুবিধাৰ পৰাও আঁতৰাই ৰাখে। সেইবাবে লিংগভিত্তিক নিয়োগৰ সুবিধাবোৰ ক্ৰমান্বয়ে বন্ধ হৈ যোৱাৰ উপক্ৰম হয়।

**বৈচিত্ৰকৰণ (Diversification)** ব্যৱসায়ত ক্ষতিৰ সম্ভাৱনীয়তা হ্ৰাসৰ উদ্দেশ্যে বিভিন্ন প্ৰকাৰৰ অৰ্থনৈতিক কাৰ্য্যকলাপত বিনিয়োগ সম্প্ৰসাৰণ।

**ফৰ্ডবাদ (Fordism)** কুৰি শতিকাৰ আগভাগত আমেৰিকাৰ উদ্যোগপতি হেন্‌ৰি ফৰ্ডে জনপ্ৰিয় কৰি তোলা এক উৎপাদন প্ৰক্ৰিয়াক বুজোৱা হয়। কোনো এক বিশেষ মানবিশিষ্ট সামগ্ৰী (বিশেষকৈ গাড়ী) নিচেই কম সময়ৰ ভিতৰতে বৃহৎ পৰিমাণৰ উৎপাদন সম্ভৱ কৰি তোলা ফৰ্ডৰ সেই পদ্ধতি বিশেষভাৱে জনপ্ৰিয় হৈ উঠে যাক কোৱা হয় 'assembly line method of mass production'। উৎপাদনৰ সেই সময়ছোৱাত শ্ৰমিকৰ আশানুৰূপ মজুৰি বৃদ্ধি আৰু সামাজিক কল্যান আঁচনিবোৰৰো খৰতকীয়া ৰূপায়ন হয়।

**বৃহৎ আৰু ক্ষুদ্ৰ পৰম্পৰা (Great and Little Tradition)** অনাখৰী কৃষক সমাজত পৰিলক্ষিত হোৱা পৰম্পৰা হৈছে ক্ষুদ্ৰ পৰম্পৰা, আনহাতেদি সমাজৰ শিক্ষিত, সম্ভ্ৰান্ত গোটে প্ৰতিফলিত কৰি তোলা পৰম্পৰাক বৃহৎ পৰম্পৰা ৰূপ আখ্যা দিয়া হয়। ক্ষুদ্ৰ পৰম্পৰা স্বাভাৱিকতে স্থানীয় (localised), অন্যহাতেদি বৃহৎ পৰম্পৰাই ব্যাপক ৰূপতবিকশিত হয়। অৱশ্যে অধ্যয়নৰ পৰা দেখা গৈছে যে ভাৰতীয় উৎসহ-পাৰ্বনবোৰত সৱাকৃত চৰ্চাৰ নীতি-নিয়মবোৰ (বৃহৎ পৰম্পৰা) ক্ৰমান্বয়ে অনা-সংস্কৃত উৎসৱ-পাৰ্বনতো (ক্ষুদ্ৰ পৰম্পৰা) পৰিলক্ষিত হৈছে।

**পৰিচয় ৰাজনীতি (Identity politics)** সমাজৰ আপেক্ষিকভাৱে কম ক্ষমতাশালীলোকসকল যেনে - লিংগভিত্তিক গোট, প্ৰজাতি, নৃ-গোষ্ঠীয় আদি লোকসকলে বিভিন্ন ৰাজনৈতিক কাৰ্য-প্ৰণালীৰ জৰিয়তে নিজৰ আত্ম প্ৰতিষ্ঠাৰ পৰিচয় দিয়া কোনো এক লক্ষণ।

**আমদানিকৃত সামগ্ৰীৰে প্ৰগতি (Import substitution development strategy)** বাহিৰৰ উৎপাদিত কিছুমান সামগ্ৰী বা সেৱা যেনে- খাদ্য, পানী, শক্তি আদিৰ দ্বাৰা মৌলিক প্ৰয়োজনসমূহ পূৰণ কৰি প্ৰগতি নিশ্চিত কৰা এক কৌশল (strategy)। উন্নয়নশীল দেশবোৰে অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'বলৈ ১৯৫০-৬০ দশকৰ সময়ছোৱাত এই কৌশলক বিশেষভাৱে জনপ্ৰিয় কৰি তুলিছিল।

**ঔদ্যোগীকৰণ (Industrialization)** আধুনিক যুগৰ বিভিন্ন শিল্প-উদ্যোগ, কল-কাৰখানা, যন্ত্ৰপাতি আৰু উৎপাদনৰ বৃহৎ প্ৰণালীসমূহৰ খৰতকীয়া উদ্ভাৱন আৰু সম্প্ৰসাৰণ। যোৱা দুটা শতিকাত এনে ধৰণৰ ঔদ্যোগীকৰণে সামাজিক জগতকো বিশেষভাৱে প্ৰভাৱান্বিত কৰি আহিছে।

**উৎপাদনৰ আহিলা (Means of production)** সমাজত ভৌতিক বস্তুবোৰ উৎপাদন কৰা কোনো বিশেষ আহিলা। এই আহিলাবোৰ কেৱল প্ৰযুক্তি কৌশলেই নহয়, উৎপাদনকাৰী সকলৰ মাজত বিৰাজ কৰা সামাজিক সম্বন্ধও উৎপাদনৰ আহিলাৰে অংশবিশেষ।

**সূক্ষ্ম ইলেক্‌ট্ৰনিক (Micro electronics)** ইলেক্‌ট্ৰনিক্‌চৰ এটা বিভাগ, যি বিভাগত ইয়াৰ বৈদ্যুতিক সা-সৰঞ্জামবোৰ অতি ক্ষুদ্ৰ আৰু বৃত্তাকাৰ গতিপথেৰে পৰিচালনা কাৰ্য সমাধা কৰে। ক্ষুদ্ৰ ইলেক্‌ট্ৰনিক্‌চ বিভাগৰ প্ৰকাণ্ড কাম-কাজবোৰ প্ৰকৃততে ১৯৭১ চনৰ পৰাই আৰম্ভ হ'বলৈ ধৰে যেতিয়া এজন অভিযন্তাই অতি সূক্ষ্ম প্ৰক্ৰিয়াৰে এখন পাতল প্লেটত কম্পিউটাৰ যন্ত্ৰ আৱিষ্কাৰ কৰি উলিয়াইছিল।

**এক শস্যৰ খেতিপথাৰ (Mono crop regime)** বিশাল ক্ষেত্ৰ আগুৰি কেৱল এবিধ শস্যৰে কৰা খেতিকৰ্ম।

**প্ৰতিমান (Norms)** প্ৰতিমান হৈছে স্বাভাৱিকভাৱেই মানি লোৱা এক প্ৰকাৰ সামাজিক ব্যৱহাৰ। লোকাচাৰ, জনৰীতি, ৰীতি-নীতি, প্ৰচলিত ব্যৱস্থা তথা আইন-কানুনবোৰে প্ৰতিমানসূচক ব্যৱহাৰ নিৰূপন কৰে। বিভিন্ন সামাজিক পৰিবেশত এইবোৰে মূল্যবোধ ৰূপে স্থান পায় আৰু তেনেদৰেই ব্যক্তিৰ ব্যৱহাৰ নিৰ্ণয় কৰে। ব্যক্তিয়ে সামাজিক প্ৰতিমান মানি চলে, কাৰণ এইবোৰ সামাজিকৰণ প্ৰক্ৰিয়াৰে ফলাফল। সকলো সামাজিক প্ৰতিমানৰ লগতে কিছুমান অনুশাসন (sanction) নিহিত হৈ থাকে আৰু এইদৰে সামাজিক অনুৰূপতাক (conformity) আগবঢ়াই নিয়াত সহায়ক হয়। প্ৰতিমান হৈছে সংকেতসূচক (liuplicit) নিয়মাৱলী, অন্যহাতেদি আইন হৈছে নিশ্চিতৰূপত লিপিবদ্ধ কৰা (explicit) নিয়মাৱলী।

**অপটিক্ আঁহ (Optic fiber)** অতি ক্ষীণ গ্লাচৰ এবিধ ৰছী যাৰ জৰিয়তে পোহৰ সৰবৰাহ কৰিব পাৰি। চুলিতকৈও পাতল এই ৰছী সদৃশ তাঁৰবোৰৰ ক্ষমতা ইমান বেছি যে এডাল অপটিক তাঁৰৰ মাজেদি প্ৰতি চেকেণ্ডত এক লাখ তথ্য শব্দ প্ৰেৰণ কৰিব পাৰি।

**উৎস হস্তান্তকৰণ (Outsowecing)** কোম্পানীবোৰে আন আন কোম্পানীবোৰলৈ কৰ্মৰ উৎস হস্তান্তকৰণ কৰা এক প্ৰক্ৰিয়া।

**পিতৃ-বংশ সম্পৰ্কীয় (Patrilineality)** এগৰাকী পিতৃৰ বংশ অথবা পৰিয়ালৰ লগত

যোগসূত্ৰৰে বান্ধ খাই থকা এক বংশ পদ্ধতি।

**সংখ্যা হাৰত মজুৰি (Piece rate wage)** উৎপাদন কৰা সামগ্ৰীৰ সংখ্যা অনুসাৰে মজুৰি দিয়া ব্যৱস্থা।

**ফৰ্ডবাদৰ পিছত (Post Fordism)** বহু জাতিক কোম্পানীবোৰে অৱলম্বন কৰা নমনীয় উৎপাদনমুখী পদ্ধতি (flexible production)। বহুজাতিক কোম্পানীবোৰৰ হাতত কম মজুৰিৰ শ্ৰমিক থকাৰ হেতুকে তৃতীয় বিশ্বৰ সকলো প্ৰকাৰৰ উৎপাদন আৰু বিতৰণ কাৰ্য্য তেওঁলোকৰ হাতলৈ সহজে লৈ যাব পাৰে। এই কালছোৱাত আন কেতবোৰ বৈশিষ্ট্যও দেখা যায় যেনে - বিভিন্ন বিত্তীয় খণ্ডৰ উত্থান, অৱসৰ বিনোদন সংস্কৃতিৰ ব্যাপক আৱিৰ্ভাৱ, নগৰ-মহানগৰবোৰত শ্বপিং মল (shopping malls) প্ৰতিষ্ঠা, বহু-বিনোদন সংযুক্ত বোলছবি ঘৰ (multiplex cinema halls), বিনোদন স্থল (amusement paru), অসংখ্য টেলিভিচন চেনেল আদিৰ সুবিধাৰ সৃষ্টি।

**ৰায়তাৰী ব্যৱস্থা (Raiyatwari system)** ঔপনিৱেশিক শাসনকালত প্ৰচলিত এক ব্যৱস্থা, যাৰ জৰিয়তে বৃটিছ শাসকসকলে খেতিয়কসকলৰ পৰা পোনপটীয়াকৈ খেতিৰ ওপৰত আৰোপ কৰা কৰ (tax) সংগ্ৰহ কৰিছিল।

**প্ৰসঙ্গসমূহ (Reference Group)** কোনো এক সামাজিক গোট বা সমূহ (group)। যেতিয়া এটা সমূহে আন এটা সমূহৰ কিছুমান বৈশিষ্ট্য যেনে - চলন-ফুৰন, সাজ-পোছাক অথবা ব্যৱহাৰ-আচৰণ আদি অনুকৰণ কৰাৰ উপৰিও সেই সমূহবোৰৰ লগত মিলি যোৱাৰ প্ৰয়াস কৰে, তেওঁলোকে অনুকৰণ কৰা সেই গোট বা সমূহক প্ৰথম গোটবোৰৰ বাবে প্ৰসঙ্গসমূহ বুলি কোৱা হয়। সমাজৰ সকলো অৱস্থাতে প্ৰসঙ্গসমূহৰ উদাহৰণ দেখিবলৈ পোৱা যায়।

**চেনচেক্স সূচক (Sensex or Nifty Index)** ডাঙৰ ডাঙৰ কোম্পানীবোৰৰ চেয়াৰ বজাৰৰ উৰ্দ্ধগামী অথবা নিম্নগামী হোৱাৰ ইংগিত বহন কৰাৰ কেতবোৰ সূচক (indicator) থাকে। সেইদৰে বোম্বাইত অৱস্থিত Bombay Stock Exchange (BSE) ৰ Sensex, আৰু নতুন দিল্লীত অৱস্থিত National StockExchange (NSE) ৰ Nifty উল্লেখযোগ্য।

**সামাজিক ঘটনা (Social Fact)** ইমাইল দুৰখেইমৰ মতে সমাজৰ এজন ব্যক্তিৰূপে মানুহে সংঘটিত কৰা সকলো ক্ৰিয়াক (action) সামাজিক ঘটনা বুলি ক'ব পাৰি,

কাৰণ ব্যক্তিজনে সংঘটিত কৰা ক্রিয়াবোৰ তেওঁৰ সামাজিক জীৱনপ্রণালীৰে প্রতিফলন মাত্র।

**সাৰ্বভৌমত্ব (Sovereignty)** নিৰ্দিষ্টকৈ চিহ্নিত কৰা কোনো ভৌগলিক সীমাৰ ভিতৰত কোনো এজন শাসক বা সম্রাট, নেতা অথবা এখন চৰকাৰ অধিকাৰী হ'ব পৰা উপাধিধাৰী শক্তিক সাৰ্বভৌমত্ব বুলি কোৱা হয়।

**সংৰচনা (Structure)** মানুহৰ আন্তঃক্রিয়াক কোনো এক জালগাঁঠনিৰে বান্ধি ৰখা এক অৱস্থা। সকলো সমাজ ব্যৱস্থাৰ সংৰচনা থাকে। সাধাৰণভাৱেই সামাজিক সংৰচনা সমাজত অহৰহ বৰ্তি থকা এক অৱস্থা, অথবা ই পুনঃ পুনঃ ঘটি থাকে (recurrent)।

**টেইলৰবাদ (Taylorism)** আমেৰিকাৰ Frederick Winslow Taylor য়ে আৱিষ্কাৰ কৰা এটা ব্যৱস্থা। কোনো উদ্যোগৰ পৰিচালনাৰ সঠিক নিয়ন্ত্রণৰ সুবিধাৰ বাবে শ্রমিকসকলৰ কামবোৰ নিৰ্দিষ্ট শ্রমিক গোটৰ ওপৰত সুকীয়া সুকীয়াকৈ ভাগ ভাগ কৰি দিয়া প্রথা।

**মূল্যবোধ (Values)** সমাজত ব্যক্তিয়ে বা কোনো সমবহে সমাজৰ বাবে কোনবোৰ গ্রহণযোগ্য বা অযোগ্য, কোনবোৰ মানি ল'ব পাৰি বা কোনবোৰ ল'ব নোৱাৰি, অথবা কোনবোৰ ভাল বা বেয়া, এই বিষয়ে কিছুমান ভাৱ-চিন্তা নিশ্চিতভাৱে গ্রহণ কৰি লয়। সমাজে তেনেদৰে মানি লোৱা ভাৱধাৰাকে সামাজিক মূল্যবোধ ৰূপে গণ্য কৰা হয়। সমাজ তথা সাংস্কৃতিক পৰিবৰ্তনৰ বেলিকাত এনে মূল্যবোধৰ পৰিবৰ্তনকে বুজোৱা হয়।

**নগৰীকৰণ (Urfanisation)** চমু অৰ্থত নগৰ বা চহৰৰ দ্রুতগতিৰ বৃদ্ধিয়েই হৈছে নগৰীকৰণ।

**জমিদাৰী পদ্ধতি (Zamindari system)** ভাৰতবৰ্ষত ঔপনিৱেশিক শাসনকালত কৰ সংগ্রহ কৰা এক পদ্ধতি। জমিদাৰসকলে কৰ সংগ্রহ কৰে আৰু ইয়াৰে কিছু অংশ তেওঁলোকে নিজৰ হাতত ৰাখি বাকীখিনি শাসকসকলক জমা দিয়ে।

*********